কবি আৰু কবিতাৰ
অনন্ত যাত্ৰা



# সহস্ৰ কবিৰ সহস্ৰ কবিতা

## পঞ্চম খণ্ড

প্ৰস্তুতি
সংস্কাৰধ্বনি ফাউণ্ডেচন
গুৱাহাটী, অসম

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

প্ৰস্তুতি

সংস্কাৰধ্বনি ফাউণ্ডেচন

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com

**Sahasra kobir Sahasra kobita**

– a collection of Assamese poems by Sanskardhwani Foundation.
Guwahati, Assam
Regn No. RS/KAM(M)/263/U/152 OF 2019-2020
Website : www.sanskardhwani.org, E-mail-sanskardhwani@gmail.com

©

**প্ৰথম প্ৰকাশ ঃ এপ্ৰিল , ২০২২**

**প্ৰচ্ছদ ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

**ই-মুদ্ৰক ঃ** সংস্কাৰধ্বনি ফাউণ্ডেচন

জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

# সহস্ৰ কবিৰ সহস্ৰ কবিতা

**পৰিকল্পনা আৰু পৰিচালনা**
হিতেশ গোস্বামী

**পৰিচালনা সহযোগী**
গুনীন ফুকন

**বিপণন**
স্পন্দন বৰঠাকুৰ

**পৃষ্ঠপোষক**
হিতেশ গোস্বামী

সংস্কাৰধ্বনি ফাউণ্ডেচন
এটি পঞ্জীয়নভুক্ত বেচৰকাৰী সামাজিক অনুষ্ঠান
**E-mail**-sanskardhwani@gmail.com
**Website :** www.sanskardhwani.org

**সম্পাদনা সমিতি**

**মুখ্য সম্পাদক**
হিতেশ গোস্বামী

**কাৰ্যবাহী সম্পাদক**
উৎপল গোস্বামী
ড° ভাৰ্গৱজ্যোতি চহৰীয়া

**সন্মানীয় সম্পাদক মণ্ডলী**
জোন বৰা
এছ আহমেদ
ৰঞ্জনা পাঠক
চবিন চন্দ্ৰ নাথ
ব্ৰজেন কাকতি
ঊষামনি শইকীয়া
মৌচুমী ৰাজখোৱা
আৰিফা হুছেইন বৰা

**অলংকৰণ**
হিতেশ গোস্বামী

## সহস্ৰ কবিৰ সহস্ৰ কবিতা গ্ৰন্থখনৰ সম্পাদনা সমিতিলৈ আমন্ত্ৰিত

### সন্মানীয় সহঃ সম্পাদক মণ্ডলী

দৈব্যা নাথ
হিৰণ্য লয়
পৰিহাৰ শৰ্মা
ৰাহিদা খানম
জুৰিমনি মুদৈ
কমলাক্ষী বৰা
ৰূপা বৰা দাস
ৰিপুঞ্জয় বৰুৱা
মনোৰঞ্জন বৰা
উত্তম কুমাৰ দত্ত
গৌতম মালাকাৰ
পুলেনৰাজ ডেকা
কাজললতা মেধি
অশ্বিনী তালুকদাৰ
পল্লৱী গগৈ (ইনি)
মানসী বৰুৱা দেৱী
ডালিমী কুলাধিপতি
কিশোৰকুমাৰ কলিতা
বৰ্ণালী ডেকা বৰঠাকুৰ
প্ৰতিভা ভাগৱতী শৰ্মা

### সন্মানীয় সমন্বয়ক মণ্ডলী

অঞ্জু দেৱী
মিণ্টু দাস
প্ৰণৱ দাস
লিলি বৈশ্য
দিপলু শৰ্মা
মৰমী মুদৈ
শিখা চৌধুৰী
সুজাতা মেধি
বশিষ্ঠ কলিতা
উপেন ডেকা
দীপা শইকীয়া
হিৰণ্য মজুমদাৰ
জাহাঙ্গীৰ আলম
ৰিংকু দেৱী বৰ্মন
চোনিয়া মুক্তিয়াৰ
মামনি পাটোৱাৰী
হৰমোহন কলিতা
পংখীকাজল কায়স্থ
পলৰিকা চৌধুৰী মহন্ত
সংগীতা শইকীয়া পাঠক

**অলংকৰণ**
**সহযোগী সম্পাদক**
অঞ্জন ডেকা
চিণ্টুমনি শইকীয়া

# সূচীপত্ৰ

**কথাৰ মালিতা** / ড° ৰিমঝিম বৰা ১৫
**বিচ্ছেদ** / ড° ৰূবা ফুকন ১৬
**কথা আছিল জানো** / কুমকুম শইকীয়া ১৭
**শূন্যতা** / ববী কটকী ১৮
**সুযোগ-সন্ধানীৰ চোকা হাতোৰাৰ কোব** / পমী গোস্বামী ১৯
**বকুল ফুল** / ঈশা বেগম ২০
**মই বৰ নিঃসঙ্গ হ'লো অ'** / অনু আফ্রিন ২১
**ৰাধা হ'ব খোজোঁ মই তোমাৰ বাবে**/ আইনু (নীলাক্ষী বৰুৱা চৌধুৰী) ২২
**বতাহজাক ৰৈ আছিল** / শিখা গোস্বামী মহন্ত ২৩
**প্ৰতিবিম্বিত স্বপ্ন** /জাহ্নৱী ভূএগ ২৪
**পকা ধানে ৰিঙিয়াইছে** / দীপাঞ্জলি কাকতি হাজৰিকা ২৬
**বন্ধ কোঠালীৰ কান্দোন** / স্বাগতা বৰা ২৭
**ভৰ বাৰিষা আমাৰ ঘৰলৈ নাহিবা** ৰূপাঞ্জলী হাজৰীকা ২৮
**শেষ ঠিকনা** / কৰবী দাস ২৯
**বৰদৈচিলা** / গগন কলিতা ৩০
**জীৱন** / দিপুল পাটগিৰি ৩১
**কবিতাৰ নৈ** / চন্দনা ভাগৱতী ৩২
**জননীৰ সন্তান** / মুকুল চন্দ্ৰ কুমাৰ (অৰবিন্দ) ৩৩
**ফাগুন** / দিপুল পাঠক ৩৪
**ইয়াত এখন নদী আছিল** / মৃণাল দত্ত ৩৫
**বিষন্ন হাঁহি** / ইমাম হুছেইন /৩৭
**চিনাকি নদীৰ ঘাট** / দিলীপ পৰাজুলী ৩৮
**অৰুন্ধতী** / ড° লোহিত শৰ্মা ৩৯
**সঙ্গীহীন শূন্যতা** / কল্পনা সেনগুপ্তা বৰুৱা ৪০
**জানকী** / হিমাশ্ৰী বায়ন দত্ত ৪১
**বিদায় লতাজী** / মোজাহিদুল ইছলাম ৪২
**নিদ্ৰা নিলে কোনে কাঢ়ি** / ছৈদুল কোৰেছী ৪৩
**বহাগৰ গান** / জোন মণি গোহাঁই ৪৪
**যৌৱন** / জ্যোৎস্না নাথ ৪৫
**নামহীন অনুভৱ বোৰ** / ভনিতা দেবী ৪৬
**শৰতৰ আকাশ** / পূৰ্ণিমা শইকীয়া ৪৮
**নীলা চৰাই** / মুন শৰ্মা ৪৯
**দুখ আছে বাবেইতো জীৱন মোৰ প্ৰিয়** / মল্লিকাগিৰি বৰুৱা ৫০
**বিশ্বাস** / পৰিস্মিতা ভূএগ দত্ত ৫১
**আলাপন** / ৰেখা বৰকটকী ৫২
**আত্মাৰ বুৰবুৰণি** / বেবী দাস ৫৩
**শৰতৰ সুবাহ বিচাৰি** / গিতাঞ্জলি বৰ্মন ডেকা ৫৪
**অকবিতা** / বিনিতা শইকীয়া ৰাভা ৫৫
**আঘোণ মানেই চহাৰ সপোন** / পাহাৰী শইকীয়া ৫৬
**ফাগুন** / মৃণালী ভৰালী ৫৭
**বসন্তৰ আঁচলত কপৌফুল** / জয়শ্ৰী জি কলিতা ৫৮
**শীত নহা চহৰৰ সাধু** / বনশ্ৰী বৰ্ষা ডেকা ৫৯
**তিনিটা স্তৱক** / ৰাজদীপ ভূএগ ৬১
**সন্ধিয়া বোৰ ৰাখি থোৱা তোমাৰ লগত** / ইমন কল্যাণ ৬২
**কথা** / দীক্ষিতা কাকতি ৬৩
**শেষ কবিতা** / মিণ্টু চৌধুৰী ৬৪
**শূন্য পৰিধি** / ঋতু অনুৰাগ ৬৫
**বসন্তৰ শেষ চিঠিখন** / পাৰ্থপ্ৰতীম হাতীবৰুৱা ৬৬
**চিন্তা** / নয়নজ্যোতি মহাপুৰুষীয়া ৬৭
**কবিতা অথবা এ পলিটিকেল ষ্টেটমেণ্ট** / হৰ্ষবৰ্দ্ধন ৬৮
**এজোপী কৃষ্ণচূড়া** / জ্যোতিশংকৰ দাস ৬৯

**যিবোৰ কথা নিয়মত পৰে**
সমীৰণ সপোন ৭০
**শব্দৰ জুই জুই খেল** /হৃদয় কুমাৰ পাটগিৰী ৭৩
**পৰিক্ৰমা** / মনোজ কুমাৰ দাস ৭৪
**অনুভৱ** / জিতু কাঞ্চন ৭৫
**অপেক্ষা** / ৰুবী বৰা ৭৬
**ৰঙালীক আদৰি আনোঁ আহা** / কল্যাণী ডেকা ৭৭
**তফাতহীন শব্দবোৰ** / গৰিমা দাস ৭৮
**ভোগালীৰ আখল** / বাসুদেৱ হাজং ৭৯
**শ্ৰমিকৰ যন্ত্ৰণা**/ চিন্ময় ডেকা ৮০
**নিৰ্ভুল হওক শব্দৰ প্ৰতিটো ঠিকনা** / ঊষামণি শইকীয়া ৮১
**যুদ্ধ বিভীষিকা** / আল্পনা দলে ৮২
**ব'হাগ** / ডাঃ হীৰেন্দ্ৰকুমাৰ ভাগৱতী ৮৪
**যি হৈছে ভালেই হৈছে** / জ্যোতি পবন ৮৫
**ৰ'দ যে মোৰ আজন্ম ভালপোৱা** / জয়ন্ত বৰুৱা ৮৬
**এনেই** / ধন দাস ৮৭
**শূন্যতা** / কোকিল শইকীয়া ৮৮
**বিক্ষিপ্ত** / ৰশ্মিৰীয়া গগৈ ৮৯
**'আকাংক্ষিত সপোন'** / জাহ্নৱী ভাগৱতী ৯০
**সুখী মানুহবোৰ** / বশিষ্টদেৱ ফুকন ৯১
**হালধিৰঙী সপোন** / কুঁহিস্মিতা বৰা ৯২
**এখন মায়াবী চহৰৰ ইতিবৃত্ত**
গোপাল শৰ্মা ৯৩
**এটি প্ৰাতঃস্মৰণীয় পুৱাৰ স'তে** / স্বপ্না বৰঠাকুৰ ৯৫
**আৰণ্যক তৃষা** /
অলকানন্দা ৰাজবংশী বৰা ৯৬
**মোৰ ইচ্ছাৰ বাট** / পুণ্য দেৱী ৯৭
**সময় দুঃসময়** / নুৰুল হুছেইন ৯৮
**মই নাৰী হ'ব খুজো** / অঞ্জলী ৰাভা ৯৯
**অতুলনীয়** / নীলিমা শৰ্মা ১০০
**প্ৰহেলিকা** / দীপ্তি শৰ্মা ১০১
**ক'লৈ গতি...** / ৰাজীৱ বৰঠাকুৰ ১০২
**আঘোণৰ বতৰা** / নিৰুপমা মেধি ১০৩
**এপাহ ৰঙা মদাৰ** / বন্তি বৰা ১০৫
**শান্তিৰ সন্ধানত** / মিল'জা বসুমতাৰী ১০৬
**নাৰী** / নমিতা কলিতা নাথ ১০৭
**প্ৰেমৰ অভিনয়** / জুৰি শৰ্মা ১০৮
**অঘৰী মানৱ...** / চৈয়দা ৰুনুৱাৰা বেগম ১০৯
**আত্মজাহ** / উমেশ চৌধুৰী ১১০
**হেঁপাহৰ মোনাটো** / অনিল ফুকন ১১১
**ফাগুনীৰ ৰং** / দীপক কুমাৰ ৰাজবংশী ১১২
**ব'হাগ আহে** / দিপালী শইকীয়া ১১৩
**নাৰী...** / স্বপ্নালী কাকতি ১১৪
**জীৱনৰ বাটত** / ৰেজিনা পাৰবিন ১১৬
**পূৰ্ণিমাৰ সখা মোৰ** / কৌশিক কুমাৰ শৰ্মা ১১৭
**জ্যামিতি** / ৰূপাঞ্জলী ডেকা ১১৮
**তোমাৰ উদাৰতাৰ প্ৰেমিক** / ড° কাশ্মিৰী গগৈ বৰুৱা ১১৯
**মোক এটি ৰাংকাৰ লাগে** / পংকজ শৰ্মা ১২০
**দেৱাল** / অৰুণ কুমাৰ শৰ্মা ১২১
**আবিৰৰ ৰং** / ঊষা বৰপূজাৰী ১২২
**মই মুখা পিন্ধা ভদ্ৰ** / পৰিস্মৃতা হাজৰিকা ১২৩
**জীৱনৰ বাটত** / মনোৰঞ্জন ডেকা ১২৪
**এক সেউজীয়া অনুভৱ**/ শিখাঞ্জলী ডেকা বৰ্মন ১২৫

❖❖❖

# সম্পাদকীয় কলম

## জোনবাইলৈ যোৱা প্ৰথম কবিতা অসমীয়া হওঁক

অসমীয়া কাব্য-সাহিত্য অসমীয়া জাতিৰ এক ঐতিহাসিক কাব্যিক দস্তাবেজ। জাতিটোৰ চিন্তা-চেতনা প্ৰকাশৰ অন্যতম "মৰ্য্যদাপূৰ্ণ মাধ্যম"। ইয়াৰ পৰিসৰ, প্ৰসাৰ আৰু গতানুগতিক জীৱনত থকা অপৰিসীম প্ৰাসঙ্গিকতাৰে অসমীয়া সাহিত্য সাগৰসদৃশ গভীৰ, বিশাল আৰু বিস্তৃত।

ভক্তি দৰ্শন, আধ্যাত্মিকতাবাদ, প্ৰকৃতি, সৌন্দৰ্য্য, প্ৰেম-ভালপোৱা, বিৰহ-বিচ্ছেদ, সংস্কাৰ-সংস্কৃতি, দৰ্শন-পৰম্পৰা, ইতিহাস বিৱৰণ, লোককৃষ্টি, শিক্ষা, সমাজনীতি, ৰাজনীতি, জ্ঞান-বিজ্ঞান, দৈনন্দিন বিষয় ইত্যাদিৰ সমাহাৰেৰে অসমীয়া কবিতা এক স্বয়ং সম্পূৰ্ণ "কাব্যিক দৰ্শন"।

হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত', মাধৱ কন্দলীৰ 'সপ্তকাণ্ড ৰামায়ণ', মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ "কীৰ্তন ঘোষা", শ্ৰীশ্ৰীমাধৱদেৱৰ "নামঘোষা" গোপাল মিশ্ৰৰ "ঘোষাৰত্ন' কবিৰত্ন ভট্টদেৱৰ হৃৎ-মন্দিৰ স্পন্দিত কৰা সৃষ্টিৰাজি', পৰৱৰ্ত্তী সময়ৰ হেম বৰুৱা, হেমচন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, ৰঘুনাথ চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, নৱকান্ত বৰুৱা, ভূপেন হাজৰিকা আদিৰ হৃদয় প্ৰসূত কবিতাৰাজিয়ে অসমীয়া কাব্য সাহিত্য তথা অসমভূমিক বিশ্ববন্দিত কৰি ৰাখিছে। মহাপুৰুষ জনাৰ "কৰতল কমল, কমল দল নয়ন" নিঃসন্দেহ বিশ্বৰ একক আৰু অনন্য সৃষ্টি।

কবিতাই ভাষা, ব্যাকৰণ আৰু শব্দৰ শুদ্ধতা আনে, মৌনতাৰে চন্দৰ নিজৰা বোৱাই জাতিৰ চিন্তা-চেতনাক প্ৰসাৰিত কৰি সৃষ্টিৰ অমৃত সন্ধান কৰাত সহায় কৰে।

অপৰিসীম বিষয়ৰ উপাদান আৰু বহুবোৰ শ্ৰেষ্ঠতম্ কাব্যৰত্নৰ সৃষ্টিৰে অসমীয়া জাতিৰ চিন্তা-চেতনাক বিশ্ববাসীৰ সন্মুখত প্ৰতিফলিত কৰিব পৰাকৈ অসমীয়া কাব্য-সাহিত্যৰ ভঁৰাল বিশ্বমানৰ কবি আৰু কবিতাৰে ভৰপূৰ আৰু চহকী।

এই কাব্যগ্ৰন্থখনৰ জৰিয়তে এহেজাৰজন অসমীয়া কবিৰ এটিকৈ শ্ৰেষ্ঠ কবিতা উত্তৰ পুৰুষৰ বাবে একত্ৰ সংৰক্ষণ কৰাৰ প্ৰয়াসৰ দিঠক ৰূপ হৈছে "সহস্ৰ কবিৰ সহস্ৰ কবিতা"?

*সহস্ৰ কবিৰ সহস্ৰ কবিতা, কবি আৰু কবিতাৰ এক অনন্ত যাত্ৰা..।*

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই অভিনৱ যাত্ৰাৰ সকলো সহযোগী আৰু শুভাকাংক্ষীৰ ওচৰত আমি কালান্তৰলৈ কৃতজ্ঞ হৈ থাকিম।

*শ্ৰদ্ধা আৰু ভক্তিৰে*

**হিতেশ গোস্বামী**

**মুখ্য সম্পাদক**

# কৃতজ্ঞতা


সংস্কাৰধ্বনি ফাউণ্ডেচনৰ সহস্ৰ কবিৰ সহস্ৰ কবিতা শীৰ্ষক কাব্যগ্ৰন্থখনৰ সম্পাদনাৰ স'তে জড়িত কাৰ্যবাহী সম্পাদক, সম্পাদক, সহঃসম্পাদক, সমন্বয়ক, বিশেষভাবে আমন্ত্ৰিত বিশেষজ্ঞসকল, কবিতা প্ৰেৰণ কৰা সন্মানীয় কবিসকল, সংস্কাৰধ্বনিৰ উপদেষ্টা পৰিষদ, জটিল সময়ত পৰামৰ্শৰে ধন্য কৰা শুভাকাংক্ষী ব্যক্তিসকল, আৰ্থিক পৃষ্ঠপোষকতাৰে আমাক দৃঢ় কৰা ব্যক্তিসকল, সন্মানীয় স্বেচ্ছাসেৱক (Volunteers) সকল, যুৱ প্ৰতিনিধি (Youth Ambassador) সকল, শুভেচ্ছামূলক প্ৰতিনিধি (Goodwill Representative) সকল, আহ্বায়ক আৰু সমন্বয়কসকল, জিলা প্ৰতিনিধিসকল, যোগাযোগ মাধ্যমৰ আহ্বায়ক (Media Coordinator) সকল, অন্যান্য সম্পৰ্কিত, ব্যক্তি, অনুষ্ঠান আৰু প্ৰতিষ্ঠা (Associates) সমূহ, উপ-সভাপতি প্ৰমুখ্যে সাধাৰণ পৰিষদৰ সদস্যবৃন্দ, বেটুপাত শিল্পী শ্ৰীমান সত্যজিৎ নাথ, বিভিন্ন সময়ত সহযোগিতা আগবঢ়োৱা শ্ৰীমান কমল মজুমদাৰ, বিতুল গগৈ, গুণগুণ, কুকি, ৰাজীৱ বৰ্মন, ডিটিপি সম্পূৰ্ণ কৰা শ্ৰীদ্বীপেন কলিতা আৰু সাংবাদিক বন্ধুসকললৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচনৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

আপোনালোকৰ সহযোগিতাৰ বাবে 'সহস্ৰ কবিৰ সহস্ৰ কবিতা' পাঠক সমাজৰ হাতত শ্ৰদ্ধাৰে সমৰ্পণ কৰিবলৈ সক্ষম হৈছোঁ।

আপোনালোকলৈ অযুত ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**শ্ৰদ্ধাৰে...**
**সভাপতি আৰু সম্পাদক**
**সংস্কাৰধ্বনি ফাউণ্ডেচন**

# পাতনি





## সংস্কাৰধ্বনি ফাউণ্ডেচনৰ অভিনৱ প্ৰয়াস 'সহস্ৰ কবিৰ সহস্ৰ কবিতা'

সংস্কাৰধ্বনি ফাউণ্ডেচনৰ এই প্ৰয়াসৰ জৰিয়তে অকল অসমতে নহয়, সমগ্ৰ বিশ্বৰ চুকে-কোণে থকা অসমীয়া কবিসকলৰ একোটাকৈ কবিতা প্ৰকাশৰ চেষ্টা কৰিছে।

বিশ্বৰ সাহিত্য জগতৰ আদি পাঠেই হৈছে 'কবিতা'। ভাৰতীয় সাহিত্যৰ ঋকবেদখনক বিশ্বৰ প্ৰথম গ্ৰন্থ বুলি কোৱা হয়। ঋকবেদ ছন্দবদ্ধ কবিতাৰ মাধ্যমত পূৰ্বৰ ঋকবেদৰ ব্যাখ্যা আৰু বিশ্লেষণৰ আজিও অন্ত পৰা নাই। ঋকবেদত যদিও বিভিন্ন দেৱ-দেৱী আৰোপ কৰি বিভিন্ন জীৱ আৰু জড় তাৰোপৰি দৃশ্য আৰু অদৃশ্য শক্তিক গভীৰ প্ৰজ্ঞাৰ মাজেৰে উপলব্ধি কৰাৰ চেষ্টা কৰা হৈছে; অনেক পণ্ডিতে সেই ঋকবেদখনতে বিজ্ঞানৰ অনেক স্পৰ্শকাতৰ আৰু উচ্চ পৰ্যায়ৰ তত্ব বিচাৰি পাইছে। আমাৰ অসমৰে এগৰাকী বিদগ্ধ পণ্ডিত অথচ পেচাগতভাৱে অবিভাজ্য অসমৰ মুখ্য অভিযন্তা আছিল;— সেইজন ৰাজমোহন নাথে ঋকবেদখন বৈজ্ঞানিক তত্বৰ ভাণ্ডাৰ হিচাপে ইংৰাজীলৈ অনুবাদ কৰিছিল। সেই অভিযন্তা পণ্ডিতগৰাকীয়ে এতিয়াৰে পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগতে সৃষ্টি কৰা কাব্য সাহিত্য ঋকবেদত বৈজ্ঞানিক সূত্ৰৰ ভাণ্ডাৰ বিচাৰি পাইছিল। মূলতঃ প্ৰাচীন কালত গণিত, বিজ্ঞান, ফলিতজ্যোতিষ ইত্যাদিও কবিতাৰ মাধ্যমত লিখি সঞ্চিত কৰি যোৱা আছিল।

যৰ্জুবেদ, সামবেদ, অৰ্থববেদ, পুৰাণ বা ইতিহাস সমূহ, মহাকাব্য ৰামায়ণ, মহাভাৰত, পশ্চিমীয়া সাহিত্যৰ ইলিয়াত, ওদিচি ইত্যাদি সকলোবোৰ বিভিন্ন ছন্দ, লয় আৰু মাত্ৰাৰ সমন্বয়ত মানৱ সমাজৰ চিন্তা-চৰ্চাবোৰ সংৰক্ষণ কৰি ৰখাৰ চেষ্টা কৰিছিল।

অসমীয়া ভাষাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ অংকীয়া নাটসমূহত গদ্যৰ প্ৰভাৱ পৰিলেও সুত্ৰধাৰ আৰু অনেক চৰিত্ৰৰ সংলাপত কবিতাই ঠাই পাইছিল। অসমত আনকি ১৯ শতিকাৰ আদি ভাগতো পদ্য বুৰঞ্জী ৰচনা কৰা হৈছিল। মহাগুৰু শ্ৰীশ্ৰীদামোদৰ দেৱৰ পৰামৰ্শ মতে ভট্টদেৱে কথাগীতা আৰু কথা-ভাগৱত ৰচনা কৰিছিল। ভাৰতীয় আঞ্চলিক ভাষাবোৰৰ ভিতৰত অসমীয়াতেই পোনতে গদ্য সাহিত্য ৰচনা হৈছিল অৰ্থাৎ যোল্ল শতিকালৈকে সমগ্ৰ ভাৰতভূমিত সংস্কৃততে নহয় আঞ্চলিক ভাষাৰ সাহিত্যসমূহ কবিতাত ৰচিত হৈছিল।

কবিতাৰ বিষয়বস্তু যুগে যুগে সলনি হৈ আহিছে। মানুহৰ ব্যক্তিগত আৰু সামাজিক দৃষ্টিভংগীৰো সলনি ঘটিছে। ১৭ শতিকাৰে পৰা ভাৰতবৰ্ষত পশ্চিমীয়া তথা ইউৰোপীয় সাহিত্যৰ প্ৰভাৱ পৰিবলৈ আৰম্ভ কৰে। সেয়ে ইউৰোপীয় ভাষা-সাহিত্য আৰু সংস্কাৰ বুটলি লওঁতে অসমীয়া সমাজ ঐতিহাসিকভাৱেই পিছপৰি আছিল।

১৯ শতিকাৰ শেষৰ দুটা দশকৰে পৰা অসমীয়া সাহিত্যত ইউৰোপীয় তথা বিশেষকৈ ইংৰাজী সাহিত্যত প্ৰভাৱ পৰে। কলিকতালৈ পঢ়িব যোৱা অসমীয়া ডেকা-ল'ৰাসকলে ভাষা-সাহিত্যৰ উন্নতি সাধন কৰিবলৈ ধাৰাবাহিকভাৱে চেষ্টা চলায়।

উল্লেখনীয় যে ১৮৪৫ চনতেই অসমলৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ অহা খ্ৰীষ্টীয়ান মিছনেৰীসকলে অৰুনোদয় নামাকৰণেৰে এখন আলোচনী অসমীয়া ভাষাত প্ৰকাশ কৰে। সেই সময়ৰ শিৱসাগৰত কথিত ভাষাটোকেই অসমীয়া লিখিত ভাষা হিচাপে অৰুনোদয়ত গ্ৰহণ কৰিছিল। প্ৰভূ যীশুৰ গুণ-গান গাই তেওঁলোকে সেই আলোচনীখনত কবিতা প্ৰকাশ কৰিছিল। যি কি নহওঁক কলিকতালৈ পঢ়িব যোৱা অসমীয়া যুৱকৰ স্বাভিমানৰ ফলশ্ৰুতিত অসমীয়া ভাষা সাহিত্যই নতুন প্ৰাণ পালে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ নিজৰ কবিতা সম্পৰ্কেই কৈছিল যে;— কবিতা হৈছেনে নাই তেওঁ নাজানে।' নহ'লেও আপত্তি নাই। অসমীয়া ভাষাত কবিতা, গল্প সাহিত্য ইত্যাদি লাগে। সেইবাবে তেওঁ লিখি গৈছে। ঠিক তেনেকৈয়ে তেওঁ অসমৰ বাহিৰত থাকিও অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। বিশেষকৈ বেজবৰুৱা দেৱৰ হাস্যৰস সম্বলিত লেখাসমূহ আজিও অসমীয়া সাহিত্যৰ ভড়ালত অনন্য বুলিয়েই স্বীকৃত হৈ আছে।

সেই সময়ত পদ্মনাথ গোহাঞি বৰুৱা, চন্দ্ৰপ্ৰসাদ আগৰৱালা, আনন্দৰাম ঢেকিয়াল ফুকন, কালিৰাম মেধি, হৰিনাৰায়ণ দত্তবৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, যতীন্দ্ৰ নাথ দুৱৰা ইত্যাদি ব্যক্তিয়ে অসমীয়া সাহিত্য জগতত এটা নৱজাগৰণৰ সৃষ্টি কৰিব পাৰিছিল।

আধুনিক যুগত কবি হিচাপে পদ্মশ্ৰী নলিনীবালা দেৱী, ৰঘুনাথ চৌধাৰী, যতীন্দ্ৰনাথ দুৱৰা, অম্বিকাগিৰি ৰায়চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, জ্যোতিপ্ৰসাদ আগৰৱালা, নীলমণি ফুকন, গণেশ গগৈ ইত্যাদিয়ে অসমীয়া সাহিত্যৰ কবিতাৰ ভড়াল চহকী কৰিছে।

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' অসমীয়া কবিতা সাহিত্যত এটা বিশেষ স্থান অধিকাৰ কৰি আছে। আজিও সেই পুথিখনৰ আদৰ কমি যোৱা নাই। সাংসদ-সাহিত্যিক হেম বৰুৱাই অসমীয়া কবিতা জগতত এটা নতুন ধাৰাৰ সৃষ্টি কৰা বুলি কোৱা হয়। তেওঁৰ কবিতাত যদিও সমাজবাদী আদৰ্শৰ ইংগিত পোৱা যায় ভাষা, শব্দ, চয়ন, বিষয়বস্তু মুক্ত চন্দৰ মাজতে আৱেগ ভৰা লয় ইত্যাদিয়ে তেওঁৰ সৃষ্টিক নতুনত্ব দিছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' যদিও পশ্চিমীয়া সাহিত্যৰ আৰ্হিত লেখা হৈছে;— তেওঁৰ ভাষা বাক্যাংশবোৰৰ লালিত্য আৰু বিষয়বস্তুৰ বৰ্ণনাই অনন্য ৰূপ পাইছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি' অসমীয়া কবিতা সাহিত্যৰ ভড়ালত নিশ্চয় চিৰযুগমীয়া হৈ ৰ'ব।

মই কামনা কৰোঁ আজিৰ এই বিশ্বায়তনিক নতুন যুগৰ নৱপ্ৰজন্মই সহস্ৰ কবিৰ সহস্ৰ কবিতাৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যক বিশ্বৰ দৰবাৰলৈ আগুৱাই লৈ যাওঁক।

❖ ***জয়তু ভাষা জননী*** ❖

**ড° নগেন্দ্ৰ নাথ শৰ্মা**
**মুখ্য উপদেষ্টা, সংস্কাৰধ্বনি ফাউণ্ডেচন**

**প্ৰথম ভাগ**

**সম্পাদনা**

আৰিফা হুছেইন বৰা



# কথাৰ মালিতা

ড° ৰিমঝিম বৰা
গড়গাঁও মহাবিদ্যালয়, শিৱসাগৰ

যি কথাৰ চোতালত
উলাহেৰে উমলি ফুৰোঁ
যি কথাৰ দেহবল্লৰীক
ৰঙীন আভাৰে আৱৰি ৰাখোঁ,
যি কথাৰ নাগপাশত
ফাগুনী পছোৱাৰ দৰে
চঞ্চলা বতাহছাটি হৈ পৰোঁ,
যি কথাৰ সমুদ্ৰত
উতনুৱা নদীৰ দৰে অভিমানী হৈ পৰোঁ,
যি কথাৰ আকাশত
তৰাফুল এথুপি হৈ জিকেমিকাই থাকোঁ
যি কথাৰ স্বপ্নীল মায়াজালত
অষ্ট প্ৰহৰৰ প্ৰতিটো ক্ষণ
মকৰাৰ দৰে নিজক আবদ্ধ কৰোঁ,
সেই কথাবোৰ আচলতে
কেতিয়াবা হৈ পৰে
বান্ধ ভগা অশ্ৰুপাতৰ স্ৰোত,
বিষাদৰ প্লাবন,
ৰংবিহীন মৌনতা,
আবেগহীন প্ৰতিমূৰ্ত্তি,
উদং পথাৰৰ এচমকা বিষাদ,
নিস্তেজ আকাশৰ ক'লা ডাৱৰ
বেজাৰে ভৰি থকা ফাগুনৰ এজাৰ।
জীৱন কি ইমান সহজ( ?)
সূৰ্যৰ পোহৰ অথবা জোনৰ স্নিগ্ধতাক
অহৰহ সাৱটিব খোজাৰ হেঁপাহ
সঁচাকৈয়ে কি ইমান সুদুৰ্লভ( ?)
ৰিক্ত বুকুত
আঁকি দিয়া
প্ৰাচুৰ্যতাৰ এপাহি গোলাপ,
শুষ্ক উদ্যানত জিলিকি উঠক
মনৰ জোনাক
সুৰভি শীতল বাটত
এখুজি-দুখুজি কৈ গৈ থাকক
আধৰুৱা সপোনৰ সম্ভাৰ।

# বিচ্ছেদ

ড° ৰূবা ফুকন
ফৌজদাৰী পট্টি নগাঁও

বেয়া নাপাবা
তোমাৰ খোজত মই
খোজ মিলাব নোৱাৰিলোঁ ।
তোমাৰ সন্মোহনত মই
সন্মোহিত হ'ব নোৱাৰিলোঁ ।

মধুৰ ক্ষণবোৰ
বিষাদৰ উমেৰে মেৰিয়াই
নিস্ফল কৰি পল ,অনুপল
আক্ৰোশৰ ভাৱনাত ডুবি
বিবেক বৰ্জিত মনত
কুটিল ছলনাৰে পাশা নেখেলাকৈয়ে
হাতৰ মুঠিতে গজালা বিশাল সাম্ৰাজ্য ।।



ছলনা চাতুৰীৰো মহত্ব থাকে
নহলেনো সূৰ্যাস্তৰ ছলনাত
জয়দ্ৰথৰ বধ হয়নে ?
সত্য শুনিবলৈ, বুজিবলৈ
সাহসৰ প্ৰয়োজন
পিছে–
নিৰ্বাচিত সত্যত তুমি সদায়েই অজেয়।

সেয়েহে তোমাৰ শাৰীত মই
শাৰী পাতিব নোৱাৰিলোঁ ।
তোমাৰ হেঁপাহৰ পৃথিৱীত
হেঁপাহ পলুৱাই জীৱন উপভোগ কৰিবলৈ
ব্যাকুল হ'ব নোৱাৰিলোঁ ।

বেয়া নাপাবা
এতিয়া তোমাৰ কক্ষত
মোৰ সত্যই গতি নকৰে,
সময়ে সত্যক ঢাকিব নোৱাৰে ।

এতিয়া শুকুলা ঘোঁৰাত উঠি সময় আহে
নিজস্ব মহিমাৰে।
সোণালী আভাই পোহৰাই তোলে
সেউজীয়া দলিচা
য'ত বহি ৰচিব পাৰো
জীৱনৰ গান।
নাই কোনো উচুপনি
বাধ্য-বাধ্যকতাৰ সীমা নেওচি
মনত নাই কোনো উদ্বিগ্নতা
আছে মাথোঁ নিজস্বতা
জীৱন জীয়াৰ মাদকতা।।

# কথা আছিল জানো

কুমকুম শইকীয়া
তেজপুৰ, শোণিতপুৰ

কঁপি থকা বিৰিখৰ ডালৰ
হালধীয়া পাতবোৰ
দুৰু দুৰুকৈ কঁপিছিল

নিয়ৰৰ টোপালবোৰ গোট খাই
সৰি পৰাৰ জানো কথা আছিল
আছিল জানো কথা ,
হিমসনা দোভাগ নিশা –
তোমাৰ আগমনৰ বাতৰি লোৱাৰ

আঙুলিৰ  মুৰত লেখি লেখি পাৰ কৰোঁ
ৰ'দৰ পৰা নিয়ৰলৈ কিমান দুৰত্বৰ বাট।

থব পৰা হ'লে কলিজাটো
ৰঙা গোলাপৰ দৰে
ৰক্তাভ ফুলদানিত ভৰাই
তোমাৰ নয়নৰ ইপাৰে সিপাৰে
ফুলি ৰ'লো হয়, সুৰভি বিলাই।

অপেক্ষাৰতা জোনাকৰ দুখন হাত

ৰ'দত জিলিকি উঠক
আশাৰ সূৰ্য্যমুখী
বাৰে বাৰে চিত্ৰ পটত তুলিকাৰে বোলাওঁ
তোমাৰেই ছায়াছবি ।

কেনেকৈনো ৰং সানোঁ
বৰফৰ তুংগত লিপিত খাই থকা
পিংগল বৰণীয়া তোমাৰ ওঁঠৰ হাঁহিটিৰ।



# শূন্যতা

ববী কটকী
কলিয়াবৰ, নগাঁও

বহাগৰ ধুমুহাৰ দৰে আহিছিলা তুমি
ফাগুনৰ পচোৱাৰ দৰে উদং কৰি
গুচি গ'লা
মই বিচাৰিম কি
বিচাৰিবলৈ থাকিল কি ?

বহু দিনৰ বিৰতিত
কাণত ৰি-ৰিয়াই বাজিছে
অ' ধন কেতেকী কেতেকী
অথবা
লা-ফা-চাই খু, লা-ফা-চাই খু
বহাগ আহিলেই কিজানি
নালাগে নাহিবি বহাগ
ভাঙিবলৈ মোৰ নিৰলা পঁজা।
তাতকৈ ফাগুনৰ পচোৱাই ভাল
অন্তৰ কঁপোৱা দোলনিত দুলি দুলি
সৃষ্টি হয় শব্দৰ এক ঝংকাৰ।

# সুযোগ-সন্ধানীৰ চোকা হাতোৰাৰ কোব

পমী গোস্বামী
ৰুক্মিণী গাওঁ, গুৱাহাটী

নিজে দেখিছোঁ
এক জলাশয়ৰ স্থিতি ওচৰতে
সেৰেঙা বসতিৰে আছিল আবদ্ধ জলৰাশি।
লাহে লাহে দেখা পালো বৃহৎ অট্টালিকা
পুতি দিয়া হ'ল সেই জলধাৰা
বিক্ষুব্ধ মনে মোৰ গুজৰি গুমৰি
কৰিলোঁ আত্মসমৰ্পণ উপাই নেদেখি ।
এনেকৈয়ে চাগে আৰু কিমান জলাশয় পুতি
অট্টালিকা সাঁজি হৈছে উদ্যোগপতি ।
গতিশীল যাত্ৰাত বাধাৰ প্ৰাচীৰ
সেয়ে নদীয়ে বিক্ষোভ কৰিছে আজি ....
অলপ বৰষুণতে চহৰ গৈছে বুৰি ।
শুকাইছে আজি বহু নদীৰ সুঁতি
হয়তো উৎসতে বান্ধিছে কোনোৱে শত্ৰুতা কৰি
প্ৰকৃতি বিৰুদ্ধ কামৰ কৰুণ পৰিণতি ,
ভুগিব লাগিব প্ৰতিক্ৰিয়া এদিন।
যাৰ যি মন তাকে কৰি গ'ল বহুদিন ধৰি
চকু-কাণ মুদি বোবাৰ ভাও জুৰিলে সকলো স্বাৰ্থান্বেষী
সুযোগ-সন্ধানীৰ চোকা হাতোঁৰাৰ কোব ঠিক সময়তে
পৰিল
বাহিৰত লগাই হৈ চৈ
চোৰে দিলে সিন্ধি ৰাতি ।
বনৰ জীৱয়ো আন্দোলন আৰম্ভ কৰিছে ...
বনাঞ্চল-জনাঞ্চলৰ সীমা একাকাৰ কৰি
প্ৰতিহত কৰাৰ ক্ষমতা হেৰাব যিদিনা
উপায় থাকিবনে কিবা ( ? )
পৃথিৱীখন নকৈ সঁজাবলৈ এক মানচিত্ৰ সাঁজিবৰ হ'ল
নহ'লে জল, স্থল, বায়ুৰ প্ৰদূষণে আনিব অস্তিত্বৰ সংকটৰ
ভয়ানক ৰূপ ।

# বকুল ফুল

ঈশা বেগম
উত্তৰ গুৱাহাটী

নিটোল এটুপি নিয়ৰ...
কিনকিনীয়া পুৱতি বৰষুণ
কোমল এজাক বতাহে কোবায়
দুহাতত গুজি থৈ যায়...
দুটি বনফুলৰ গুটি
এটি এন্ধাৰ এটি পোহৰ,

মোৰ অৰণ্যত দুজুপি বকুল
এন্ধাৰ আৰু পোহৰৰ লুকাভাকু...

জুই ...অৰণ্যত বনজুই
মোৰ বকুল বনত জুই
হাঁহাকাৰ মাথোঁ পানী বিচাৰি
এডিঙি পিয়াহত অৰণ্যৰ চটফটনি,

ধোঁৱা জুই আৰু ধোঁৱা
নৈখন বাউলিযে হ'ল...
ক'লা উশাহত নৈ খন
অৰণ্যৰ উশাহৰ গভীৰ কাকুতি,


এজাক সতেজ সজল বৰষুণত
অৰণ্যই উচুপি উঠিছিল...
সেউজীয়া এই পৃথিৱীত যেন
দুজোপা বকুল জী উঠিছিল।।



# মই বৰ নিঃসঙ্গ হ'লো অ'

অনু আফ্ৰিন
ৰঙিয়া

মই বৰ নিঃসঙ্গ হ'লো অ'
উকা কপাল আৰু
শুকুলা সাজ যোৰেৰে
আইনা খনৰ ওচৰলৈ যোৱাৰ
সাহসো হেৰুৱালোঁ ।
আজিকালি ডাৱৰীয়া হৈ থকা
মনৰ আকাশত নুফুলা হ'ল
তৰাৰ ফুল।
নষ্টালজিয়াৰ ডেউকাত উঠি
বাৰে বাৰে গুচি যাওঁ
আপোন গাঁৱৰ সুবাস বিচাৰি।
বহাগৰ বিহুত
ভমকা ফুলৰ গামোচা খন দিওঁতে
তই যে বৰ জোৰকৈ সাৱটি ধৰিছিলি ...
গেন্ধাই ফুলৰ পাহি খোপাত গুজি
তপ্ত ওঁঠেৰে যে আঁকি দিছিলি
কাহানিও মচিব নোৱাৰা দাগ এটি
আজিও গুপুতে ৰাখিছোঁ মনত সাঁচি।
সন্ধিয়া গৰুজাকৰ সৈতে
ঘৰলৈ ওভতোতে মোৰ
পদূলিমুখত মাৰি যোৱা
তোৰ সুঁহুৰিটোৱে মোক
আজিও আমনি কৰে অ'
ফৰিংফুটা জোনাকত
মথাউৰিত বহি বজাই থকা
তোৰ ৰেডিঅ'টোৰ গানবোৰে
মোক আজিও ব্যাকুল কৰে।
অস্তযোৱা শিৰৰ বেলিটোৰ স'তে
তই গুচি যোৱা
দিন ধৰি যন্ত্ৰণাৰ দলিচা পাৰি
সোঁৱৰণীৰ স'তে



পাৰ কৰিছোঁ দিন-ৰাতি ।
চোতালত বহি আকাশখনলৈ
ৰ' লাগি চাওঁ
কিজানি তোৰ উমান পাওঁ।
নিশাৰ এন্ধাৰে কুটি কুটি খোৱা
বুকুখনে
শেতেলিত বিচাৰি ফুৰে তোৰ দুবাহু
শুষ্ক ওঁঠেও স্পৰ্শ বিচাৰি
আৰ্তনাদ কৰে গভীৰ
ৰাতি...

# ৰাধা হ'ব খোজোঁ মই তোমাৰ বাবে

আইনু (নীলাক্ষী বৰুৱা চৌধুৰী)
বামুনীমৈদাম, গুৱাহাটী

তোমাৰ জীৱনত কিমান গোপিনী আছে
নতুবা ৰুক্মিনীৰ দৰে কোনোবা আছে নে নাই
তাক নাজানো মই
কিন্তু মই ৰাধা হে হ'ব খোজোঁ তোমাৰ বাবে
তোমাক পাবলৈ।

তুমি হয়তো সুধিবা মোক...
মীৰা বাঈয়ে জানোঁ ভালপোৱা নাছিল কৃষ্ণক
তুমি যে মাথোঁ ৰাধা হ'ব খোঁজা
মীৰা হোৱাতনো কি বেয়া
ওহোঁ, মীৰাই কেতিয়াও নাজানিছিল
কৃষ্ণই মীৰাক ভাল পাইছিল
নে নাপাইছিল
কৃষ্ণৰ মাথোঁ এটি মুহূৰ্তৰ দৰ্শনৰ বাবে
অপেক্ষা কৰি কৰি মীৰাই বিদায় মাগিছিল
পাৰ্থিৱৰ পৰা অপাৰ্থিৱ জগতলৈ ।

অথচ কৃষ্ণই ভাল পাইছিল ৰাধাক
ৰাধাই জানিছিল
ৰাধাই বুজিছিল
অনুভৱ কৰিছিল
ৰাধাৰ অবিহনে কৃষ্ণৰ হৃদয়ত
আন কোনোৱেই নাছিল
তেনে তুমিয়ে কোৱাচোন মোক
মই ৰাধা নহৈ কিয় বা মীৰা হম তোমাৰ বাবে।

ৰাধাৰ অধিকাৰ আছিল কৃষ্ণৰ ওপৰত
কৃষ্ণক আমনি কৰাৰ
অভিযোগ কৰাৰ
অভিমান কৰাৰ
আৰু স্পৰ্শ কৰাৰ
বাকীবোৰ নকলোৱেই যেনিবা...

বৰ মন যায় জানা নে সোণ
গভীৰ টোপনিত লালকাল হৈ
শুই থকা অৱস্থাত তোমাক চাবলৈ,
কপালত পৰি থকা চুলিকেইডাল
আলফুলীয়া হাতেৰে আতঁৰাই দিবলৈ।
সকলো কামনা বাসনাৰ উৰ্ধত
মাথোঁ বাৎসল্য প্ৰেমৰ পৱিত্ৰ মৰমত
তোমাৰ কপালত আলফুলে এটা চুমা দিবলৈ
বহু সময় ধৰি একেৰাহে তোমাক চাই ৰ'বলৈ
তুমি নুবুজিবা
কিমান যে ভয়ংকৰ মোৰ বাবে
তোমাক হেৰুৱাৰ ভয়
এইবাবেই ৰাধা হ'ব খোজোঁ মই
কাৰণ কৃষ্ণৰ হৃদয়ত ৰাধা আছিল
অনন্ত কাললৈ
ময়ো যে বিচাৰোঁ
থাকিবলৈ তোমাৰ হৃদয়ত
ঠিক তেনেদৰেই, তেনেকুৱাকৈ

সঁচাকৈয়ে মোৰ সোণ
ৰাধা হ'ব খোজোঁ মই তোমাৰ বাবে...।।

# বতাহজাক ৰৈ আছিল

শিখা গোস্বামী মহন্ত
নগাঁও

বতাহজাক ৰৈ গৈছিল
হাচনাহানাৰ ফুলবোৰ ফুলিছিল ,
ফুলি আকৌ সৰিছিল।
ৰঙাকৈ পলাশে বিয়পাই তুলিছিল ফাগুন অহাৰ খবৰ
কেৱল বতাহজাক ৰৈ গৈছিল ।

ৰৈ গৈছিল বতাহজাক
বুকুত লৈ অপেক্ষাৰ কিছু সময়
অপেক্ষাৰ দুই দণ্ডৰ দুপলক দৃষ্টি
দৃষ্টিনো আৰু কি...
দুচকুত দুই চকুৰ আহ্বান
এখন নিজৰা টলবল
তাৰ ওপৰত এক ইঙ্গিৰ অহেতুক নিশব্দ কোলাহল...

বতাহজাক এইখিনিতেই ৰৈ আছিল
কথাৰ আঁৰৰ ভিন্নতা বিচাৰি
কথাৰ ফাঁকৰ শূন্যত সামৰি
ঘনে ঘনে সলনি হোৱা কথাৰ ছবি বুটলি।

এইখিনিতে ৰৈ ৰৈ বতাহজাকে এতিয়া শুনি আছে
পথাৰৰ দুয়োপাৰে ঘনে ঘনে
লৰি উঠা দুখিলা কুঁহিপাতৰ কঁপনি।।

# প্ৰতিবিম্বিত স্বপ্ন

জাহ্নৱী ভূএগ্ৰা
উত্তৰ হয়বৰগাঁও, নগাঁও

তেওঁৰো এখন ঘৰ আছিল
দুহাতেৰে গঢ়া
পিৰালিত এজোপা বাৰমাহী বেঙেনা
দুজোপা জলকীয়া
পদিনা আৰু পিৰালি পালেং
গোহালিত পোৱালিৰ সৈতে গাই
বাৰান্দাত ঢেঁকী
এন্ধাৰ হ'লে দুটি কোঠাত লেম জ্বলে সমানে
পাকঘৰত কেৰাচিনৰ চাকি...
শৈশৱৰ পৰাই তেওঁ আছিল মোৰ প্ৰিয় নাৰী
আগ্ৰহ আছিল, আছিল গভীৰ উৎসুকতা
প্ৰচণ্ড হেঁপাহ আছিল,
তেওঁক মই চাম ওচৰৰ পৰা,
তেওঁৰ প্ৰতিটো খোজ
প্ৰতিটো খোজ।
এতিয়া প্ৰায়ে কিছুমান ভগ্নপ্ৰায় সপোন দেখোঁ
সপোনত তেওঁ আহে গভীৰ প্ৰত্যয়েৰে
এমোকোৰা হাঁহিৰে জীয়াই থকাৰ
কৌশল তেওঁ জানে
খুদ মিহলি তুঁহ গুৰিৰে
গোবৰৰ সৈতে তৈয়াৰ কৰা
ৰবাৰটেঙা সদৃশ এটি লাডু ..
তাত লম্বমান হয় এডাল মৰাপাট গছৰ ঠাৰি
-য'ত পুনৰ লগোৱা হয়
পকা হালধীয়া বৰণৰ এটা কঠাল পাত ।
কাষেৰে বৈ যোৱা বালিপটাৰ পানী যুঁৰলিত
বৰ সন্তৰ্পণে থৈ আহে তেওঁ -
কঠাল পাতটো লৰি থাকে
লয়লাস নৃত্যৰ ভঙ্গিমাৰে !
পোনা মাছৰ যুদ্ধত নে পানীৰ বিলাসিতাত !
এন্ধাৰৰ আগে আগে
ওলাই গুচি যায় কোবা কোবিকৈ..
তেওঁৰ হাতৰ জুলুকিৰ চাব্ পৰে
পুঠি দৰিকণাৰে খালৈ ভৰে
'বৰ বৌ' ৰ পোনাহঁতৰ পেট
'এসাঁজ' তৃপ্তিৰে ভৰে ।
জীয়াই থাকিবৰ বাবে
এখন যুদ্ধ নীৰৱে সদায় চলে
এসাঁজ খোৱা, এসাঁজ পিন্ধা
আটোম টোকাৰিকৈ সংসাৰ চলোৱাৰ হেঁপাহ
পোনাহঁতক মানুহ কৰাৰ সপোন
এশ এবুৰি সমস্যা অকলেই সমাধান কৰাৰ পণ
তেওঁৰ মৌ সনা মাতষাৰে আমাকো
মন্ত্ৰ মুগ্ধ কৰি ৰাখে
আদৰেৰে মাতি নি খুউৱা পোৱা মাছৰ পিটিকাৰে
ফোৰণ দিয়া দাইলৰ জুতি
কেনেকৈ পাহৰোঁ
কেনেকৈ পাহৰোঁ ...
কোনো উচ্চাকাংক্ষা নথকাকৈ
ত্যাগৰ মহিমাৰে
বৰ সহজ আৰু সৰল ভাৱে
জীয়াই থাকিবলৈ শিকা সেই নাৰী
মোৰ স্বপ্নজগতৰ আলোড়ন -
মোৰ অনুজক কোৱা যোজনা - পটন্তৰ
এক পলিফনিক্ চৰিত্ৰ ।।

**দ্বিতীয় ভাগ**

**সম্পাদনা**


ৰঞ্জনা পাঠক



# পকা ধানে ৰিঙিয়াইছে

দীপাঞ্জলি কাকতি হাজৰিকা
হেঙেৰাবাৰী, গুৱাহাটী

আঘোণৰ সোণোৱালী পথাৰত
পকা ধানবোৰে ৰিঙিয়াইছে
সোণেশ্বৰীহঁতে হাতত কাঁচি লৈ
পথাৰলৈ গৈছে ধান কাটিবলৈ
সিহঁতৰ হাঁহিয়ে পথাৰখন কঁপাইছে
বৰ ভাল লাগিছে
সিহঁতে পথাৰৰ আলিত বহি
হাঁচতিৰ গাঠি খুলি তামোল খাইছে
তামোলৰ পিকেৰে ৰঙা বুলোৱা ওঠত
সেলেঙী লগা হাঁহিৰ খিলখিলনি চাই
হিয়া জুৰ পৰিছে
হাঁহিৰ লগে লগে কাঁচিৰে ধান দাইছে
সোনেশ্বৰহঁতে ডাঙৰি বান্ধিছে
বিৰিয়াত দুফালে দুটা ডাঙৰি লৈ
পথাৰৰ পৰা হেঁকো-জেঁকোকৈ
ঘৰলৈ ধান কঢ়িয়াইছে
কিমানযে ভাল লাগিছে
চোতালখন ধানৰ ডাঙৰিৰে ভৰিছে
আবেলি চোতালত মৰণা পেলাইছে
মৰণাত এচাৰিৰে কোবাই গৰু ফুৰাইছে
ওখোনেৰে খেৰ জোকাৰিছে
ধান বা দি পতান গুচাইছে
পিছদিনা ধানবোৰ ৰ'দাইছে
কোৰোণাৰে চপাইছে
ধান পাচিৰে ভৰাই ভঁৰালত ভৰাইছে
পকা ধানে ভঁৰালত তিৰবিৰাইছে ।



# বন্ধ কোঠালীৰ কান্দোন

স্বাগতা বৰা
গোলাঘাট

দুটা আখৰ- না...ৰী....
দুটা আখৰৰ ৰূপকৰে গঠিত মান
বিশ্বৰ দৰবাৰত উজ্জ্বলি উঠা
সেই নাৰীৰ আজি বক্ষৰ উমানত
শুই থাকে এজাক শিশু
পিছে, দানৱৰূপী সেইজাক শগুণে
সজায় 'বেশ্যা' 'ডাইনী'
বন্ধ কোঠালিত কান্দোনত হিয়া ভাগে
যাৰ ঔৰসত ভূমিষ্ঠ তাকেই
লাঞ্ছনা যন্ত্ৰণা চৰিত্ৰহীনা !
নাৰী দিৱসৰ বক্তব্য
সভ্যতাৰ আৱৰণে হাজাৰজনৰ
ভাষণে সজাই তোলে
নাৰী শক্তিৰ গাঁথা
প্ৰাপ্তি অপ্ৰাপ্তিৰ দোমোজাত
নিশাৰ কামনাৰ বলি
ৰাজপথৰ কলংকিনী
কিমান আৰু চিঞঁৰিব
জীয়াই থাকিবলৈ দে অ'
মুখা পিন্ধা ভদ্ৰ সমাজ
তাইৰো আছে এখন হৃদয়
আছে পৱিত্ৰ মন মমতা ত্যাগ
তথাপি জীয়াই থকাৰ
যন্ত্ৰণা ইমান কিয় কঠিন ?
মৰিবতো নোৱাৰে
হাতৰ পুতলাও হব নোৱাৰে
কিয়নো,
নাৰী ঈশ্বৰৰ অনবদ্য সৃষ্টি !!



# ভৰ বাৰিষা আমাৰ ঘৰলৈ নাহিবা

ঋপাঞ্জলী হাজৰীকা
সোণাৰি, চৰাইদেউ

ভৰ বাৰিষা আমাৰ ঘৰলৈ নাহিবা
ভৰ বাৰিষা আমাৰ ঘৰত
নদীৰ বাঢ়নী পানীৰ ঢল নামে
কেঁচু কুমটিয়েও বাহ সাজে
শেলাই ভৰা চোতালত
ভৰ বাৰিষা আমাৰ ঘৰলৈ নাহিবা
ভৰা বাৰিষা আমাৰ উৰুখা পঁজাত
পানীৰ ডোঙা বান্ধে
পানী ডোঙা মচি মচি
আইয়ে চাদৰৰ আঁচলেৰে
চকুলো টুকে
পিতাইয়ে নিজৰ কপালকে
চপিয়াই চপিয়াই দুখৰ হুমুনিয়াহ কাঢ়ে
নাজানো আইৰ পিতাইৰ দুখ ক'ত
মৰমৰ আইৰ পিতাইৰ হাতত
খৰ বেচুৰ দপদপনি
নষ্ট কীটবোৰে কবৰ খান্দিছিল
ভৰিৰ তলুৱাত, আঙুলিৰ ফাকত
পোৱা নোপোৱা যন্ত্ৰণাত
উৰুখা পঁজাৰ মজিয়াত বহি বহি
আই পিতাইয়ে কৰিছিল
জীয়াই থকা অন্তিম আশা
এদিন দুদিনকৈ বাঢ়িছিল দিনবোৰ
উদিত সূৰুযৰ কোমল ৰ'দত
ক্ৰমশঃ আই পিতাইৰ সপোনবোৰে
তৰা ফুল হৈ ফুলিব লৈছিল
নীল আকাশত
এনেকৈয়ে পূৰ্ণতা পাইছিল
আই পিতাই সুখবোৰ
সপোনৰ পঁজাত।।

# শেষ ঠিকনা

কৰবী দাস
গুৱাহাটী

দুদিনীয়া এই সংসাৰৰ
আলহী আমি সকলোৱে
দুই এদিনৰ আগ পিছ মাথোঁ
যাব লাগিব এৰি থৈ এই ধৰা !

তেন্তে কিয় ইমান হেঁপাহ
ধন সম্পত্তি,ঘৰ দুৱাৰৰ ?
সকলো পৰি ৰ'ব
ধৰাৰ বুকুত !
নাপাহৰিবা বন্ধু
সকলোৰে শেষ ঠিকনা এটাই
শ্মশান ঘাট !


তাত কিন্তু নাই
কোনো ভেদা-ভেদ !
ধনী দুখীয়া একত্রে
বিলীন হৈছে চিৰ নিদ্ৰাত !
জাত পাত, উচ্চ নীচৰ
কোনো বিচাৰ নাই তাত !

জীয়াই থকা দিন কেইটাতো
নোৱাৰিলা কিয় থাকিবলৈ
এনেদৰে মিলাপ্ৰীতিৰে
নকৰি কোনো বিদ্বেষ !
ধৰাতেই চোন সৃষ্টি হ'ল
হেঁতেন স্বৰ্গৰ !

# বৰদৈচিলা

গগন কলিতা
গুৱাহাটী ঘোঁৰামৰা

এতিয়া আৰু হাবিয়াহ নাই
তোমাৰ স'তে জোনৰ দেশত
এখনি ঘৰ সজাৰ
কাহানিবাই হেৰাই গ'ল সেই হাবিয়াহ
আবতৰীয়া বৰদৈচিলাত দিশহাৰা
মোৰ হেঁপাহৰ জোনবাই
নীৰহাৰা মনৰ পখী
জীৱনৰ ৰং মোৰ বাবে
এতিয়া এক সাঁথৰ
প্ৰতিটো প্ৰহৰ মোৰ বাবে
এতিয়া শূন্যৰে ভৰা
তুমি আহিছিলা মোৰ জীৱনলৈ
শৰৎ মেঘৰ ক্ষণিক লীলা হৈ
তুমি বিচাৰি ল'লা
তোমাৰ হেঁপাহৰ ঘৰ
মোৰ বাবে এৰি থৈ
এক যাযাবৰী জীৱন
পিচে তোমাৰ প্ৰতি নাই
মোৰ কোনো অভিযোগ
জীৱন এখনি নৈ
নৈয়ে জানো জানে তাৰ গতিপথ
জীৱনৰ বাট বুলিবলৈ
আৰু আছে বহুদূৰ
এই কথা তুমিও জানা
জীৱনক মই বহুত ভাল পাওঁ
মোৰ এই ৰাগি অতিকৈ প্ৰাচীন
সেই কথাও তুমি জানা
সেয়ে মোৰ বাবে প্ৰয়োজন



আকৌ এজাক বৰদৈচিলাৰ
যিয়ে দিব পাৰে মোক
জীয়াই থকাৰ সাহস
আৰু যিয়ে দিব পাৰে
মোৰ শুকান ওঁঠত
আকৌ এমোকোৰা হাঁহি!!!

# জীৱন

দিপুল পাটগিৰি
পাঠশালা, বজালী

গভীৰ নিশাৰ নিঃসঙ্গ উপকুলত
যন্ত্ৰণা বিদ্ধ সময়ৰ মাজত
প্ৰতীক্ষা কৰিছোঁ
কিবা যেন হেৰুৱা মানুহৰ দৰে
দিনান্তৰৰ পিছত তন্দ্ৰা অলস আত্মাটোৰে
শেতেলিত এৰিছিল এটি হুমুনিয়াহ
হঠাতে চিলমিলিয়া টোপনিত দেখিলোঁ
নিৰ্জনতাৰ মাজত তুমি
হাতত তুলিকা লৈ
আঁকিবলৈ লৈছিলা মোৰেই ছবি
এনেতে সাৰ পাই দেখিলোঁ
তুমি আঁতৰি গ'লা
মুহূৰ্ততে হৈ পৰিলোঁ মই
এটি আধা আঁকা ছবি
মধুৰ আৱেগ আৰু
অনুভূতিৰ মায়াজালত
স্বপ্নভ্ৰষ্ট হৃদয়ে মোৰ
নিঃশব্দে উচুপি উঠিছিল
ভিন্ন ভাৱনাই দেও দি যোৱা নিশাটো
লাহে লাহে গভীৰ হৈ আহিছিল
আৰু মই আৱেগবিহ্বল হৈ
আগবাঢ়ি গৈছোঁ মাথোঁ ক্ৰমশঃ
কুঁৱলিৰে ঢকা মৃত্যুৰ উপত্যকালৈ!!

# কবিতাৰ নৈ

চন্দনা ভাগৱতী
কাহিলিপাৰা, গুৱাহাটী

ৰেষ্টুৰেণ্টৰ বাহিৰৰ বেৰত
আৰি থোৱা মেনুখনৰ
লোভনীয় সুস্বাদু আহাৰৰ
তালিকাখনত
কেইযুৰিমান সুতীব্ৰ চকু
ফুটপাথত কেইটামান
জোনাকৰ সাধু শুনি নোপোৱা,
বেলিৰ ছবি আঁকি নোপোৱা
ক্ষীণকায় শৰীৰ
ইফাল-সিফাল
চুচুক্-চামাক
পূজাৰ বতৰ,
ৰেস্তোঁৰাবোৰত বৰ ভিৰ
কবিয়ে সেই বাটেৰেই গৈ আছিল
আৰু দুচকুৰ মনিত নিবদ্ধ হৈছিল
সেই চিত্ৰকল্পটো
ঠিক তেতিয়াই কবিৰ বুকুৰ মাজত
এটি অন্য সুৰে
ৰি-ৰিয়াই বাজিছিল
আৰু কবিৰ কবিতাৰ
নৈখনে গতি কৰিছিল
সেই ক্ষীণকায় শৰীৰ কেইটাৰ
বুকুৰ ভিতৰলৈ !!!

# জননীৰ সন্তান

মুকুল চন্দ্ৰ কুমাৰ (অৰবিন্দ)
গোটানগৰ, মালিগাঁও

লুইত পৰীয়া আমি অসমীয়া
নহঁও আমি দুখীয়া
মুক্তি যুঁজাৰু বিপ্লৱী আমি
আইৰ মুখত হাঁহি
দেখুৱাম আজি আমি
আইৰ বেদিত আমি
ললো শপত আজি
লাচিত বীৰৰ হেং দাং
আজিও জিলিকি আছে
শৰাইঘাটৰ ইতিহাস
আজিও জিলিকি আছে
প্ৰেৰণা যোগাবলৈ
আইৰ শত্ৰুক খেদিবলৈ
জন্মভূমিৰ হকে বলিদান দিবলৈ
আজিও আছে ডেকা গাভৰু
লুইতৰ পাৰতে থাকিম
লুইতৰ পাৰতে মৰিম
হে জননী জন্মভূমি অসম মাতৃ
দেশৰ হকে শ্বহীদ হৈ
তোমাক পুজিম !!!



# ফাগুন

দিপুল পাঠক
বৰহোলা, যোৰহাট

নৈ খনৰ পাৰত লঠঙা হোৱাৰ ভয়ত কঁপিছিল
ওখ  শিমলু জোপা,
মৌ পিয়া চৰাই এটাই
সঘনাই বাট বুলিছিল
শুকাই নিস্তেজ নদীৰ
যৌৱনৰ বালিচৰত
কোনোবা অচিন নাৱৰীয়াৰ
মেঘৰ সপোন  দেখি
টোপনিয়াই থকা এখন স্থবিৰ নাও
ফাগুন আহিছে উজাই,
বৰদৈচিলা সাজু মাকৰ ঘৰলৈ
পলাশ ৰাঙলী হ'ল
কাঁইটিয়া মদাৰৰ অসুখ
শিমলু ফুলিলেই আকাশে গাব গান
কঁহুৱা, বিৰিণাৰ উলাহে নধৰা হিয়াত
নাচোনৰ দেওধ্বনি তুলি
আঁচল উৰুৱাই দেহৰ
কঁপনি জগোৱা দুষ্ট ফাগুন
আৰু জুই নিদিবি বুকুত
ময়তো কঁপিছো লঠঙা হোৱাৰ ভয়ত
যিমানে দেখিছো সপোন
সিমানে বাঢ়িছে যন্ত্ৰনা
"ফাগুন" তই যিমানেই ৰাঙলী নহৰ কিয়
কলিজাৰ ৰং তাতোকৈ
বহুত বেছি  অ',
বহুত বেছি ।।।

# ইয়াত এখন নদী আছিল

মৃণাল দত্ত
বদনকুছি, বজালী

ইয়াত এখন নদী আছিল
শান্ত-সমাহিত উদাৰমনা
নদীখনৰ বুকুতে এখন গাওঁ
নদীখনৰ উৰ্বৰা শৰীৰত
ভেজা দিয়েই সেউজীয়া হৈ
বাঢ়ি আহিছিল
শত হেঁপাহৰ পুলি
লহপহকৈ...
নদীখনেই আছিল গাওঁখনৰ
আশা-প্ৰত্যাশাৰ সমল
নদীখনক সাক্ষী কৰিয়েই
নতুনৰ গীত ৰচি
অংকুৰিত হৈছিল নৱ প্ৰজন্মৰ বীজ
নদীখনৰ অকপট মৰমত
প্ৰাণ ভৰাই নাচি উঠিছিল গাঁওখন
নদীখনেই আছিল গাঁওখনৰ
ঈশ্বৰ, আল্লা, বিধাতা
হঠাতে যেন চয়তানৰ  ফন্দীত
বিধাতাৰ বিবেক
শান্ত-সৌম্য বিধাতাৰ অস্থিৰতাই
মহটিয়াই গ'ল  সপোনৰ ঘৰ
পলকতে নিঃশেষ হৈ গ'ল
শত উশাহ
ইয়াত এখন গাঁও আছিল
এতিয়া ইয়াত মৃত্যুৰ সমদল
বালিচৰৰ বুকুত স্মৃতিৰ সৌধ...।।

# তৃতীয় ভাগ

## সম্পাদনা

এছ আহমেদ



# বিষন্ন হাঁহি

ইমাম হুছেইন
বিশ্বনাথ, অসম

মায়া সনা উন্মাদনা
লাস্যময়ী ধৰণীত
কি দিন কি ৰাতি !
দুচকুত মাথো
প্ৰেমৰ বিষন্ন হাঁহি ।।

তোমাৰ নাচোনত
নিচুকণি গীত গাই
আনন্দ,উল্লাসেৰে
মতলীয়া মই
সেউজী ধৰণীৰ
নান্দনিক পৰিৱেশ
আকিছে যেন
অফুৰন্ত ছবি ।।


মোৰ চঞ্চলা মনৰ
অনুভূতি তুমি
হিয়াৰ আমঠু
তোমাৰ-মোৰ
প্ৰেমৰ বিষন্ন হাঁহি ।।



# চিনাকি নদীৰ ঘাট

দিলীপ পৰাজুলী
নাৰায়ণপুৰ, লখিমপুৰ

অভিমানৰ দুৱাৰ খুলি
মই তোমাৰ সেউজীয়া
বননি ডৰাত আত্মগোপন কৰিলোঁ
সমন্বয়ৰ গীত শুনিবলৈ।।
তোমাৰ হৃদয়ৰ হৃদয়তা খনন কৰি
আত্মীয়তা বিহীন হৃদয় পোৱাত
মই উভতি আহিলোঁ
চিনাকি নদীৰ ঘাটলৈ।।
তেতিয়া
উজাই নাওঁ মেলি যোৱা
নাৱৰীয়া জনে বিচাৰি পাইছিল
আবেলিৰ বেলিৰ সুগন্ধি।।
নীলিম আকাশে দি ডেউকা মাৰি মাৰি
গৃহমুখী হোৱা
চৰাই জাকৰ মাজত
বিচাৰি পাইছিলোঁ
দুখে ভৰা জীৱনৰ আত্মীয়তা।
অথচ মযতো মন্দিৰৰ খটখটি বগাই
তোমাৰ পাছে পাছে যোৱা নাছিলোঁ
সেইবাবে বুজি নাপালোঁ ভগৱানৰ অস্তিত্ব।।
সেই সময়তে তুমি বিচাৰি পাইছিলা
আবেলিৰ বেলিৰ মাদকতা।।
তথাপিও অভিমান দুৱাৰ খুলি
অভিমানী হৈ
মই এতিয়া কঁহুৱা বিৰিণাৰ মাজত শুনিবলৈ পাইছোঁ
দুখে ভৰা জীৱনৰ কৰুণ কাহিনী।।
তেতিয়া পানীৰ জুৰলিত জোনাকে উলমি ৰৈ
মাথোন বিচাৰিছিল পানীৰ মাজত এবুকু হৃদয়তা।।



# অৰুন্ধতী

ড° লোহিত শৰ্মা,
বিশ্বনাথ, অসম

অৰুন্ধতী তুমি মোৰ কবিতাৰ এক উৎস শব্দৰ নদী!
কুঁৱলীভৰা জোনাক নিশা নীলা আকাশৰ বুকুত তৰাফুল
ফুলা দেখিছানে বাৰু তুমি
তিৰবিৰাই তোমাৰ কপালৰ সেন্দূৰীয়া ফোঁটটোৰ দৰেই!

স্নানাকান্ত হৈ যেতিয়া তুমি খোপাত ৰঙাবুটাফুলৰ গামোছা
খন মেৰিয়াই আহা
আৰু মোৰ দুঃখৰী পঁজাৰ বেৰত ওলোমাই থোৱা
আৰ্চিখনত কাঁকৌ'য়া ফণিৰে মুৰ আঁচোৰি
অনামিকা আঙুলিৰে ফোঁটটি লোৱা সঁচাকৈয়ে তোমাৰ
সেই সৌন্দৰ্যত আপ্লুত হওঁ মই

তুমিতো জানাই
দুখৰ ভৰিত খুঁপি খুঁপি বোকাময় পৃথিৱীখনত জীয়াই
আছো কিদৰে!

তথাপিও কিয় তুমি অনুৰক্ত হৈ মোৰ জীৱন,হৃদয়ত
থিতাপি ল'লাহি
একোতো নাছিল মোৰ জ্ঞানৰ দুৱৰি ।

জানা অৰুন্ধতী, বানে ধোৱা বালি পৰা গাওঁখনৰ
নৈপৰীয়া বুকুত
পুৱাই তুমি মেঠনি টানি তিয়াই লৈ একলহ পানী ককাঁল
খামুচি আনা বৰ ভাল লাগে দেখি।
আজি যেন সপোন সপোন লগা সেয়া মোৰ দুচকুত!
ভবাই নাছিলো, তুমি ৰূপে প্ৰকাশিত হ'বা।

# সঙ্গীহীন শূন্যতা

কল্পনা সেনগুপ্তা বৰুৱা
ডিব্ৰুগড়

সঙ্গীহীন শূন্যতাৰ দেদাউৰিত
অনুভূত স্তব্ধ পৰাণ
বেদনা বিধুৰ উকা মনৰ একালাপ-
নেযায়, নুপুৰাই ডেউকা ভগা পখীৰ
কৰুণতম বিননিৰ নিষ্ঠুৰ সময়।
কেৱল এষাৰি মৰমৰ মাত
নিকা আন্তৰিকতা স্নেহৰ আবেশ....
আৰুনো বাৰু কি লাগে উকা মনক ?
মানৱীয় প্ৰেমৰ অমীয় সৰগীয় স্পৰ্শ
জীপাল কৰিব পাৰে যিয়ে
বিস্তীৰ্ণ শুষ্ক মনোমস্তিষ্ক
মচি নিব পাৰে যিয়ে শত হিয়াৰ
সঙ্গীহীন শূন্যতাৰ কলীয়া ডাঁৱৰ।
পিছে, বৃথা আস্ফালন
অসীম ব্যস্ত পৃথিৱীত আহৰি ক'ত ?
মনক বুজাৰ অকণি মৰমৰ আশ্বাস
জীৱন জীয়াৰ প্ৰেৰণা দিয়াৰ ?
নাই নাই, আহৰি পালেও উচ্ছাস নাই
কেৱল নিজৰ জীৱন বৃত্তত ঘূৰ্ণীয়মান
বাকী সকলো যাওক ৰসাতলে
কাৰ কি আহে যায় ?
ভৰপেটে বুজে জানো
খালি পেটৰ ক্ষুধা ?
শুনে জানো পাৰ ভঙা
বেদনাৰ অৰণ্যৰোদন

# জানকী

হিমাশ্ৰী বায়ন দত্ত
লখিমপুৰ

ৰাজ ঋষি জনক নন্দিনী
মই জানকী
নাঙলৰ সিৰলুত জন্ম মোৰ
সেয়ে মই সীতা ।
উৎপত্তি মোৰ ভূমিৰ পৰা
মই ভূমিষ্ঠা ।
ৰঘূকুলৰ বোৱাৰী মই
মিথিলাৰ জীয়ৰী মই
মোৰ কান্ধত দুয়ো কুলৰ মৰ্যদা।
ধৰিত্ৰীৰ সমান সহশীল হৈ সহ্য কৰিলো
তোমালোকৰ সকলো কথা।
ৰঘূনন্দনে বাৰে বাৰে কৰিব খোজে
অগ্নি পৰীক্ষা
সহিব নোৱাৰো মই এনে কথা।
আই বসুমতী লোৱা মোক বুকুত সাৱটি
দিয়া আশ্ৰয় তোমাৰ কোলাত
জিৰাব খোজো মই তোমাৰ আঁচলত
এৰি সকলো মোহ মায়া।

# বিদায় লতাজী

মোজাহিদুল ইছলাম
কৌপাতী,ওদালগুৰি

আজি ৰাজপথে ৰিঙিয়ায়
কোকিলকণ্ঠী লতাজী আৰু নাই।
হতবাঁক আজি শত শত জনতা
ঘূৰি নহা বাটেৰে গ'লগৈ কোকিলকণ্ঠী লতা।
মধ্য প্ৰদেশৰ ইন্দোৰ চহৰত জন্মিছিলা
সুৰৰ ৰাণী তুমি কিংবদন্তি কোকিলকণ্ঠী গায়িকা।
তোমাৰ কণ্ঠত বাস কৰছিলে মা সৰস্বতী
মা সৰস্বতীৰ আৰাধনাৰ পিছতে ল'লা চিৰ বিদায়।
'আপকীসৰা' ছবিত প্ৰথমে কণ্ঠদান কৰিছিলা
৩৬টা ভাষাত তুমিয়েই কণ্ঠ নিগৰাইছিলা।
কৰিলা তুমি জীৱনজোৰা সংগীত সাধনা
কোকিলকণ্ঠী, নাইটিংগেল
কুইন অৱ মেল'ডীৰে খ্যাতি লভিলা ।
অসমৰ সৈতে আছিল তোমাৰ মধুৰ সম্পৰ্ক
এৰাবাটৰ সুৰত তুমিয়েই দান কৰিছিলা কণ্ঠ ।
গুচি গ'লা আজি তুমি অজান দেশত
আজিও প্ৰিয় তোমাৰ কণ্ঠ ভাৰতবাসীৰ মাজত ।

অন্ত পৰিল আজি সংগীতৰ এক সোণালী যাত্ৰা
তোমাৰ মৃত্যুত ম্ৰিয়মাণ আজি শত শত জনতা।
গুচি গ'লেও তুমি
কণ্ঠ থাকিব তোমাৰ যুগ-যুগান্তৰ
শিল্পী তুমি অতীত,
বৰ্তমান আৰু ভৱিষ্যতৰ।

# নিদ্ৰা নিলে কোনে কাঢ়ি

ছৈদুল কোৰেছী
ঢেকীয়াজুলি

নাজানো কি হৈছে মোৰ
জীৱনৰ ৰংবোৰ নোহোৱা
হোৱা যেন অনুভৱ হয়।
জীয়াঁই আছো পৃথিৱীৰ বুকুত
কংকাল সাদৃশ্য হৈ
অভিনয় কৰিব পৰা হৈছো
দূৰদৰ্শনৰ পৰ্দাত নহয়
বাস্তৱ জীৱনত।
দিনৰ পোহৰত সকলোৰ মনত
হাঁহি বিৰিঙাওঁ।
বন্ধু-বান্ধৱৰ মাজত
নিজক সুখী বুলি দেখুৱাও।
আচলতে মই সুখী নহয়।
ঈশ্বৰ তুমি মোৰ অন্তৰৰ
জানা সকলো খবৰ।
আজি মই কিয় সকলোতকৈ পৃথক?
মই কি কৰিব গৈছো
কাৰ লগত কি কৈছোঁ
সকলো অভিনয় যেন লাগে
চকুমুদি টোপনি যাওঁ সচাঁ,
শান্তিৰে এদিন টোপনি দিব পাৰিছোনে?
চকুঁমুদিলে সংসাৰৰ বিভিন্ন চিন্তা দেখা দিয়ে
এফালে কৰোণা আৰু আনফালে
নিবনুৱা হৈ ঘৰত বহি থকা।
ক'ত যাও কি কৰো
ভাবি পোৱা নাই প্ৰভু
বাট দেখুওৱা প্ৰভু।

# বহাগৰ গান

জোন মণি গোহাঁই
লখিমপুৰ

নেমু ফুল ফুলিছে
প্ৰকৃতি ভৰ যৌৱনা
প্ৰণয়ৰ সতে তাইৰ
সহ বাস।
সংগোপনে
গৰ্ভ ধাৰণ কৰিছে
একলা দুকলাকৈ
বাঢ়িছে সপোন,
হেমন্তৰ নিমন্ত্ৰণ
প্ৰাত্যাখান কৰিলে
বহাগতে ভূমিষ্ঠ হব
ঋতুৰাজ বসন্ত,
বিহুৱতী নাচনীৰ খোপাত
নাহৰ,কপৌৰে
ডেউ ধৰি উঠিব
জীৱন জলেৰে
চহা লোক
জীৱন বৃক্ষৰ
অধিকাৰী হব
গাব বহাগৰ গান
গাব জীৱনৰ গান।



# যৌৱন

জ্যোৎস্না নাথ
আগিয়া, গোৱালপাৰা

তুমি অহাৰ বাতৰি পালে
ঢাকি থম কাঁইটীয়া পথ
শেৱালিৰ দলিচাৰে
দুয়ো মুখামুখিকৈ বহি
টকালি টকালি খাম
একো চকলাকৈ ৰবাব।
আঠুৱনি পানীত জুৰুলিজুপুৰি হৈ দুয়ো
যেতিয়া জাকৈ বাম
আমাক দেখি লাজতে মুছকঁছ যাব
পুঠি খলিহনা, কাৱৈ-দৰিকণা।
তুমি অহাৰ বাতৰি পালে
জী উঠিব নিৰ্জীৱ শব্দবোৰ
সিহঁতৰ উচুপনিত সাৰ পাব
নিঃসঙ্গ কবি।
তুমি এটি সুগন্ধি হাঁহি মাৰিবা
যি হাঁহিৰ উজ্জ্বলতাত লাজ পাব
আঘোণৰ ৰ'দে।
তুমি আহা
এক সোণোৱালী নদীময় বাটেৰে
যি বাটত আমি খোজ দিব পাৰিম
ঠিক আমাৰ দৰেই ।

# নামহীন অনুভৱ বোৰ

ভনিতা দেৱী
নলবাৰী

নৈয়ে জানো ৰব জানে
আইয়ে আখলত পোৱালমণি খুচৰে
কামিহাড়ৰ ভিতৰত এটি জুইফুল ফুলে

গছৰ ফেঁৰেঙতিত উঁইচিৰিঙাই
গোপন অভিসাৰত লিপ্ত হয়
সৌৱা চোৰা কুমলীয়া বাঁহ পাতেৰে
বালিমাহীয়ে প্ৰসৱকালীন বাহ এটি সাজিছে

সেউজীয়া বতাহত অশ্বমেধ যজ্ঞৰ যো-জা
চলিছে
বুকুত সংগোপনে লালন কৰা আয়োজনটিও
পূৰ্ণাহুতিত ব্যস্ত হৈছে

নিঃশব্দই শব্দৰ স'তে কথা পাতিছে
ভোকৰ লেলাউটিবোৰ
অ'ত তত সিঁচৰতি হৈ পৰিছে

বেলিয়ে নুবুজে
ৰ'দৰো হেনো ভাগৰ লাগে
নিয়ম ভঙাৰ নীতিতেই দেখোন
নিয়মবোৰ চলে—।

# চতুৰ্থ ভাগ

## সম্পাদনা

জোন বৰা



# শৰতৰ আকাশ

পূৰ্ণিমা শইকীয়া
গহপুৰ, হেলেমগুৰি

নীলিম আকাশৰ সেমেকা সেমেকা
প্ৰভাতী পুৱা, টোপ টোপ
নিয়ৰৰ লাজুক লাজুক চাৱনি,
সজাল ধাননিত কুঁৱলীৰ
আৱৰণৰ মুকুতাৰ দলিচা।
মৰমসনা মায়াবী ৰ'দৰ
চিকমিকনিৰ সমন্বয়ে
সানি দিয়ে শৰতৰ
মিঠা মিঠা মাদকতা।
নিয়ৰসিক্ত দূৰৰিয়ে আঁচল
পাতি লয় তলসৰা শেৱালিক,
শৰৎ-শেৱালি দুয়ো আজন্ম প্ৰেমিক,
আহে হাতে-হাত ধৰাধৰিকৈ।
শুভ্ৰবসনা আলোকৰ আলিঙ্গনত
জিলিকি উঠে শেৱালি ফুলৰ
পাহে পাহে আমোলমোল গোন্ধ।
লুইতৰ নীলাভ জলৰাশিৰ
দুয়োপাৰৰ কঁহুৱায়ো খাগৰি বনৰ
সুগুৰিত হালিজালি, নাচি-বাগি
শৰৎ অহাৰ বাতৰি বিলায় ।
কোমল কোমল মেঘৰ
চন্দময় লুকাভাকু
জাক জাক বগলীৰ
উৰি অহা নয়নাভিৰাম
দৃশ্যৰাজিত শৰতৰ আকাশ
হৈ পৰে নান্দনিক...।
শাৰদী নিশা জোনাকৰ
স্নিগ্ধ পোহৰত প্ৰান্তে প্ৰান্তে
উৎসৱৰ মেলা।
আকাশ বতাহৰ সপ্ত-তৰংগত
বাজি উঠে পূজাৰ
স্তুতি বন্দনাৰ স্বৰ ।



# নীলা চৰাই

মুন শৰ্মা
লখিমপুৰ

শীতৰ সন্ধ্যা নামিব ধৰে,
ঘৰমমূৰা বেলিৰ ৰং হেঙুলীয়া,
কুঁৰলীৰ চাদৰে চৌপাশ মেৰাই,
অনুভৱ শীতল শিহৰণ দেহত।

সময় তেতিয়াই দৃশ্য অপূৰ্ব,
ওপৰত নীলা তলত সেউজীয়া,
ঘৰমূৰা চৰাইটি বৰণ নীলা,
ডেউকা কোবাই গমন তলেৰে গগণত,
নীলা চৰাইটি নীলা ভৰা তলেৰে গগণত।

দৃষ্টি মোৰ দৃশ্য অনুপম,
ৰৈ যাওঁ থিয় মই পথাৰৰ উদং বুকুত,
বাহ্ বাহ্ দৃষ্টিনন্দন, বিতোপন,
খন্তেক স্বপ্নত ভ্ৰমণ ত্ৰিভুৱন।

মনোমোহা সন্ধ্যাৰ মনোৰম ৰূপ,
কোনোবা চিত্ৰৰ যেন মোহিত ৰূপ,
দৃশ্যৰ সান্নিধ্যৰ সুখত ওপচে সমগ্ৰ হিয়া,
কোন জনমৰ আছিল এই অপ্ৰাপ্তি সুখ,
এই জনমত পালোঁ এই প্ৰাপ্তিৰ সুখ।

# দুখ আছে বাবেইতো জীৱন মোৰ প্ৰিয়

মল্লিকাগিৰি বৰুৱা

দুখ আছে বাবেইতো জীৱন মোৰ প্ৰিয়।
দুখ আছে বাবেই মন গ'লে হাঁহিব পাৰিছোঁ, মন গ'লেই কৰিব
পাৰিছোঁ অট্টহাস্য ।
দুখ আছে বাবেইতো ফেঁকুৰি ফেঁকুৰি কান্দিব পাৰিছোঁ নিৰলে।
দুখ মোৰ পৰ নহয় কেতিয়াও।
বৰঞ্চ আপোনতকৈও আপোন ।
আঠালতীয়া।
মোৰ দুখ আছে বাবেই আপুনি মোক ভেঙুচালি কৰিব পাৰিছে।
নহলে ক'ত ?
মোৰফালে জানো ঘূৰি চালে হেঁতেন?
মোৰ দুখ নথকা হ'লে মোৰ হাঁহিবোৰ কেতিয়াও আপোনাৰ চকুৰে-
কাণে সোমাই নগ'ল হেঁতেন ।
মোৰ দুখ আছে বাবেইতো মোৰ হাঁহিয়ে আপোনাৰ কাণৰ পৰ্দা
কঁপাই তুলিছে।
আপুনি কোন?
সুধিবলৈ মোৰ ভয় লাগে ।
জানোচা মইয়ে নিজৰ পৰিচয় পাহৰি যাওঁ!
মোৰ দুখ আছে বাবেই ক্ষন্তেক আপুনি সুখী হৈছে
আৰু... ক্ষন্তেক মই আপোনাৰ বাবে ।
অৰ্থাৎ মোৰ বাবে আপুনি আৰু আপোনাৰ বাবে মই ।
বীজগণিতৰ সূত্ৰৰে জীৱনৰ অংকৰ সমাধান।

# বিশ্বাস

পৰিস্মিতা ভূঞা দত্ত
কলাবাৰী, গহপুৰ

বিশ্বাস মাথো এটি শব্দ ই নহয়
ই বিশাল আকাশ
একোখন সাগৰ
একোখন মহাসাগৰ
তাৰ পিঠিত উঠিয়েই
সকলোৰে দিক নিৰ্ণয় কৰিব পাৰে
জীয়াই থকাৰ ..বা জী উঠাৰ ।

জীয়ন বিচাৰি ফুৰাসকলে পায়
এখন ভৰুণ বুকু !
সেই বুকুতেই লয় সেউজীয়া উশাহ...
সেই বুকুতেই দেখে ৰামধেনুৰ
সাতোটি ৰং...
সেই বুকুতেই থাকে
এখনি আস্থাৰ ঠাই !

সেইখন অকল বিশ্বাসৰ ভেটিৰেই গঢ়া
তাত নাথাকে অবিশ্বাসৰ
ক'লা ঘৃণনীয় পৃষ্ঠা...

সকলো সম্পৰ্কৰে
উৰ্দ্ধত...
স্বচ্ছ, নিকা..
সবল মনৰ, সবল চিন্তাৰ
এক সুস্থিৰতাৰে জিলিকি
থাকে সেই সত্বা
বিশ্বাস।

# আলাপন

ৰেখা বৰকটকী
যোৰহাট

চৰাইজাকে কথা পাতে আপোনমনে...
ৰহঘৰা পৃথিৱীৰ সিঁহত অতন্দ্ৰপ্ৰহৰী
পাখিত পাখি গুজি কৰা
আত্মপ্ৰত্যয়ৰ আলাপ
সিঁহতৰ আলোচনাৰ বিষয় কি ?
প্ৰেম নে ভালপোৱা
ৰাজনীতি নে সমাজনীতি
দেশ নে নেতা ?
এইবোৰ একোৱেই নহয়
মাত্ৰ সুখৰ সংজ্ঞাৰ কথা সিহঁতে পাতে
সপ্ত সাগৰ ,অটল গহ্বৰ,
সসাগৰা জলধিৰ উত্তাল লহৰ
আৰু দূৰ সীমনাত দৃশ্যমান
মুনি চুনি বেলিৰ কথা সিঁহতে পাতে
নিৰবধি বৈ যোৱা নৈখন,
নৈৰ পানীৰ জিএঞা ফৰিং বোৰৰ সৈতে হোৱা অগা -দেৱা
নৈৰ সিপাৰে ক্ষন্তেকৰ বাবে লগ হোৱা
প্ৰেয়সীও হ'ব পাৰে কথাৰ বিষয়
ক'লা জামু ,পকা মধুৰিআম, পকা অমিতাৰ জুতি
বিচাৰি ফুৰাৰ আনন্দৰ ভাগ বতৰা
বাটলু গুটি বন্দুক কেটেপাই
দিয়া বুকু ভঙা আৰ্তনাদ
অবাক জীৱনে কৰা নিৰাশাৰ
বিলাপো হ'ব পাৰে আলোচনাৰ বিষয়
অবুজ মনে বাৰে বাৰে যায়
বিপদ সংকুলতাৰ কাষলৈ
পাখিৰ আঁৰত জীৱটো সামৰে
পকা জেটুলিযেন হৃদয়খন যেন দুদিনৰ বাবে...

# আত্মাৰ বুৰবুৰণি

বেবী দাস
গুৱাহাটী

নৈৰ বুকুত ঠেকা খাই ঢৌৰ চিটিকনি
ঢৌৰ গৰ্জ্জনৰ শব্দত লৰা-ঢপৰা
বিৰামহীন এক নিত্য-নৈমিত্তিক প্ৰতিচ্ছবি
নৈৰ বুকুত উঠা ৰূপোৱালী ঢৌবোৰ
তাৰ মাজে মাজে টুলুংভুটুংকৈ
ওপঙি ফুৰা নাওবোৰ
কি যে দৃষ্টিনন্দন...
জুৰাই মন মগজু... !

নৈৰ বুকুত চৰি ফুৰা জাক জাক
ৰাজহংস চাকৈ চকোৱাৰ কলৰব
মায়াবী জগতৰ বিচৰণ থলি
সুদূৰত ফেৰি ঘাটত যাত্ৰীৰ ভিৰ
যাত্ৰীৰ মিশ্ৰিত কোলাহলে
বেলি যেতিয়া লহিয়াই মুখৰিত কৰি তোলে
যাত্ৰীৰ উঠা-নমা
ঠেলা-হেচাত পাৰ পাৰৰ উন্মাদনাত
ব্যস্ততা বাঢ়ে
ভিৰৰ মাজত সময় আগবাঢ়ে
যাত্ৰীৰ কোলাহলৰ অটল গৰ্ভত
বহু জন বিলীন হৈ যায় চিৰকালৰ বাবে
নৈৰ বুকুত কেৱল এৰি থৈ যায়
অহেতুক মৰম ভালপোৱাৰ
আত্মিক বুৰবুৰণি... !!

# শৰতৰ সুবাহ বিচাৰি

গিতাঞ্জলি বৰ্ম্মন ডেকা

তোমাৰ দৰদী
হিয়াৰ বতৰাই
মোৰ মন দ'হি লৈ যায়
কি পালোঁ নেপালোঁ
একো কথা নাই
মাথোঁ বিশ্বাস আৰু
অটল আন্তৰিকতাই
সকলো সোঁৰৰায়।
আজি শেৱালিৰ
সুবাস ভৰা সময়ত
শৰতৰ বতৰত
বুকু ভৰি পৰিছে মনত।
ৰিণি ৰিণি চাইছোঁ
অতীত সুৱৰিছোঁ
আৰু মধুময় জীৱনৰ
আলোকপাত কৰিছোঁ।
মধুৰ জোনালী নিশা
নীলিম আকাশৰ ছাঁত
শুকুলা ডাৱৰৰ আঁৰত
মগ্ন মনেৰে নিৰৱে হাঁহিছোঁ ।
বুকু ভৰি ভাল পোৱা
জীৱনৰ সাক্ষীবোৰ
শুকুলা শেৱালিৰ সুবাসেৰে
হৃদয়ৰ কোনোবাখিনিত
শৰতৰ সুবাস বিচাৰি বিচাৰি
অন্তঃকৰণৰ  নিবিড়তাৰে
আজিও সাঁচি থৈছোঁ...।



# অকবিতা

বিনিতা শইকীয়া ৰাভা

গাণিতিক হিচাবত
ডুব যোৰা আবেলিকেইটা
আঙুলিৰ পাবত মুঠিয়াই ৰাখিলোঁ
অথচ
দক্ষিণৰ দক্ষিণা হৈ
কোনটো আবেলিত সুখবোৰ উৰিছিল
পাহৰি পেলালোঁ

প্ৰিয় বুলি ভবা আবেলি এটাত
হঠাৎ আকাশখন সৰি পৰিছিল
কবিতাৰ আঁৰতনো কিমান লুকাম

মৰিশালিলৈ কিমান দূৰ বাৰু... ??

মগজুৱে মাটি চুব পৰাকৈ
মইতো দেৱতুল্য নহয়
নামত জীৱশ্ৰেষ্ঠ
যি জিকিবলৈ হাৰিব নিবিচাৰে
মাটিত চুমিব পৰাকৈ
মই জানো জীৱন্ত

অপমান অপবাদ আওকাণ কৰি
সুখ কিনিবলৈ ঠেলা হেঁচা কৰা
ময়েইতো ৰূঢ় ক্ৰেতা
যি কেৱল পাবলৈহে চিঞৰিব জানে
হেৰুওৱাৰ বাবদ কেৱল মৌনতা....।।

# আঘোণ মানেই চহাৰ সপোন

পাহাৰী শইকীয়া
টীয়ক

আঘোণ মানেই সোণালী সপোন।
সপোন বিজন বিনিদ্ৰ উদাসী ৰাতিৰ
সোণোৱালী সোন গুটিৰে পৰিপূৰ্ণ পথাৰত
দাৱনীয়ে দাই নিয়ে মুঠি-মুঠি ধান ,
নৰাৰ পেঁপা আৰু চেঁচু খান্দি খোৱাৰ আনন্দই যে সুকীয়া...
বেলি দুবিবৰ হ'লেই লাগে যে পথাৰৰ ৰখীয়া
ব্যস্ততা বাঢ়ে কৃষকৰ...
আনন্দ ৰ সীমা অপাৰ ।
কুমলীয়া বাঁহৰ টঙাল আৰু বিৰীয়া লৈ,
এথৰ, দুথ ৰ কৈ বান্ধি নিয়ে নৰাৰ ওপৰত ডাঙৰি।
ডাঙৰি কঢ়িয়াই ভাগৰা দেহাটি লৈ বহে সন্ধিয়া,
জুই-শালৰ কাষত বহি আলু, বেঙেনাৰ পিটিকা
নৰাই কটা হাত -ভৰিত মিঠাতেল ঘঁহি,
চাহ এবাটি খাই, জোৰ দিয়ে গৃহিনীক
আঘোণ যাবৰে হ'ল ...
ন-মুঠি ধৰিবৰ সময় হ'ল।
ঘৰত পোহা হাঁহ, বাৰীৰে কোমোৰা
পুখুৰীৰ মাছ, বাৰীৰ শাক -পাচলি
খাম- এসাঁজ লগে-ভাগে ন-ভাত।
গাঁৱৰ সকলোকে এই সুযোগতে দিম এযাৰি মাত
ভোগ-সমৃদ্ধিৰে ভৰি পৰে ঘৰ,
প্ৰাপ্তিৰ হাঁহিত উজ্জ্বলি উঠে গৃহস্থৰ মুখ
এইয়ে গাঁৱলীয়া চহাৰ সপোন।
সপোন মানেই এখন সমাজৰ দাপোন ।।

# ফাগুন

মৃণালী ভৰালী
গুৱাহাটী

এডেও দুডেও কৈ পছোৱা জাকে
উৰুৱাইছেনে তোৰ চঞ্চল মনৰ
বাসনাৰ আঁচল ওঠত ঢালি দিলে নে প্ৰেমৰ
সুমধুৰ গানৰ গুঞ্জন।
তইপুৱাৰ ৰ'দালি হৈ কাৰোবাৰ হৃদয়ত
আঁকি দিবিনে তোৰ যৌৱনমতী দুপৰৰ
উত্তাপ
সেয়েহে মই প্ৰেমৰ সপোন সনা শব্দৰে
বসন্তৰ প্ৰথমজাকতে পঠিয়াইছো কোমল
পাতত নুৰিয়াই কেইটিমান বৰ্ণ।
নৈ পৰীয়া এটি নিজান দুপৰীয়া
তই আহিবি পৰিভ্ৰমী চৰাই হৈ
চকুত থৈ আকি দিম কাজলি চকুত
প্ৰেমৰ সপোন সনা কবিতা।



# বসন্তৰ আচঁলত কপৌফুল

জয়শ্ৰী জি কলিতা
শিৱসাগৰ

বসন্তৰ আচঁলত কপৌফুলে ৰূপৰ আধাৰ হৈ
আঁকি দিয়ে চৌদিশে নতুন সুবাস ।
প্ৰকৃতিৰ সৌন্দৰ্য্য ৰাণী বসন্তক স্বাগতম
জনাবলৈ কোমল কুঁহিপাতৰ লগতে নাহৰ,
তগৰেও এনেই নাথাকি ধৰাৰ বুকু সাজিলে
কাচিলে আটক ধুনীয়া কৰি।
তাতে আকৌ আপোন জনৰ কথা শুনি ভৰ
যৌৱনত উথলি থকা গাভৰু জনীয়ে
খৰখেদাকৈ মুগাৰ সাজ পিন্ধি খোপাত
মেৰিয়াই ললে কপৌফুলৰ পাহি।
ভাৱনাত বিভোৰ হৈ হাতত জেতুকা বোলাই
লৈ পিন্ধি ললে গাম খাৰু,গলপতা ডুগডুগী,
কেৰু আৰু মণি।
তাইৰ মনৰ আবেগক সঁহাৰি জনাই
আপোনজনৰ হাতত তুলি দিলে ৰঙালী
বিহুৰ বহুতো শুভেচ্ছাৰে আমাৰ অতি
আদৰৰ বিহুৱান খনি।
অসমৰ বাস কৰা প্ৰতিজন অসমীয়াৰ
কৃষ্টিৰ প্ৰতীক “গামোচা” বিহুৱান হিচাবে
ইজনে সিজনক দেখিলে দিয়ে সন্মান যাচি।
নৱ সৃষ্টিৰ বাসনাৰে সকলোৰে মিলি
আদৰিলে ৰঙালী বিহুক সকলোৰে মঙ্গল
কামনা কৰি।।

# শীত নহা চহৰৰ সাধু

বনশ্ৰী বৰ্ষা ডেকা
কামৰূপ

আহো আহো কৈয়ো
ঠেৰেঙা বতাহজাক আহি নাপায়
চহৰখনৰ গলিবোৰ চুই নোচোৱাকৈয়ে
উভতি যায়
সহিব নোৱাৰি গোলকীয় উষ্ণতা !
ৰঙা, বগা, গুলপীয়া আৰু ইটাৰঙী
পাহাৰ পাহাৰ ঘৰবোৰ শুই পৰা নিৰ্জনতাত
ফেঁচা এটিয়ে কুৰুলিয়াই কুৰুলিয়াই
নিৰ্দিষ্ট অট্টালিকাটোৰ ছাদলৈ লৈ আহিল
আধামুঠি শীত
আৰু এখন গাঁও !
ঘূৰি নহা দিনৰ...
কুঁৱলীৰ নদীয়ে কপাই তোলা সন্ধিয়া
গাঁওখনৰ চোতালে চোতালে
একুৰা তুঁহজুই
আৰু এচুবুৰী মানুহ
ইমূৰ সিমূৰ বাগৰি অহা কথাৰ মহলাত
সিজি উঠে কঁকাল বন্ধা পিঠা
আৰু এবাতি ৰঙা চাহ....।
দেৱালৰ প্ৰতিটোপাল ঘামৰ চটফটনিত
চমকি উঠা মানুহজনে
ঘৰ্মূটিয়াইয়ে জোৰকৈ উশাহ টানি চালে !
সোটোৰা পৰি অহা আইতাৰ আঁচলৰ
সেকা আলু পোৰা পোৰা গোন্ধ
নাই...
উশাহে ঢুকি পোৱা নাই
সেই দিনৰ সাধু ...
চকু মেলি দেখিলে তেওঁ
মূৰৰ ওপৰত এখন ফেনৰ অবাধ
ঘূৰ্ণীবতাহ... !
যান্ত্ৰিকতা,আধুনিকতাৰ
নিষ্পেষিত ধোঁৱাই তপতোৱা চহৰৰ অলিয়ে গলিয়ে
এতিয়া শীত নাহে
আহে কোনো বিলাসী অট্টালিকাৰ
গৰাকীৰ পুৱতিৰ সপোনত !

## পঞ্চম ভাগ

## সম্পাদনা
## ড° ভাৰ্গৱজ্যোতি চহৰীয়া



# তিনিটা স্তৱক

ৰাজদীপ ভূঞা
মিৰ্জা, কামৰূপ

(১)
প্ৰত্যাহ্বান!
শেলুৰৈ গজা শিলৰ সৈতে
ভৰিৰ আঙুলিয়ে কথা পাতে উচপিচকৈ
এসময়ত সহজ হয়
লাহে লাহে ডাঠ হোৱা ভৰিৰ তলুৱাই ষ্ঠ
শিলক শুনায়
পিচল বাটৰ শুকোৱা কাহিনী।

(২)
অৰণ্যৰোদন
মেটেকাত ওপঙা পৰুৱাটো
জীৱনৰ অন্ধ আশাত
প্ৰাৰ্থনাৰত
বতাহক কৰিছে কাকুতি
নদীয়ে শুনিবলৈ নিদিলে বতাহক
বৈ আছে
প্ৰচণ্ড সোঁতত।

(৩)
ফাগুণৰ কবিতা
মোৰ আকাশ
এতিয়া মেঘবিহীন!
শুকাই অহা কলিজাত
নুফুলে ব'হাগ,
মদাৰৰ পাহিত ফাগুণ নমোৱা
মই এটা মৰহি যোৱা কবিতা।



# সন্ধিয়া বোৰ ৰাখি থোৱা তোমাৰ লগত

ইমন কল্যাণ
দুনী, দৰং

তুমি অহা বাটত সৰা পাতবোৰৰ
বুকুৰেদি বাগৰা বতাহজাকৰ সুগন্ধিৰে
ভৰি থাকে সন্ধিয়া বোৰ...

নিৰ্জনতাৰ বুকুৰ কোলাহলবোৰ,
আৰু তুমিহীনতাৰ বতাহে ফালি চিৰি
ঠেঙুলিৰ পৰা এৰুওৱা পাতবোৰৰ সৈতে
সন্ধিয়াবোৰ ৰাখি থোৱা।

পিয়লাত মোৰ দুটুপি ফটিকা
আৰু এমোকোৰা দুখৰ নিশাহহ!
সন্ধিয়াবোৰ যদি আকৌ আহে!!
হয়তো আঁকিব কোনো গোপন কেনভাচত
উৰলি যোৱা ছবি, মৰীচিকাৰ।

নিশাটো জয়াল..
পাৰ হ'লেই দিগন্তমুখী হোৱাৰ অংগীকাৰ।

তেতিয়ালৈ ৰাখি থোৱা সন্ধিয়াবোৰ,
প্ৰতিদান নিদিয়াকৈ!

# কথা

দীক্ষিতা কাকতি
ডিব্ৰুগড় বিশ্ববিদ্যালয়, শিৱসাগৰ

শীত আছিল
সিৰে, সিৰে
মোৰ কোটৰ মাজত সোমাই
কথাবোৰ
কঁপি কঁপি
গুছি গল
জাৰ নিশা
তোমাৰ এজাৰ বুলীয়া ঢৌ হৈ
বসন্ত আহি গুণগুণাই গল
সেউজীয়া হোৱাৰ কথা
এতিয়া যাতনাত
বাৰিষাৰ বৰষুণ
চকুত ৰাখিব পাৰিবা
কোৱা
সঁচাকৈয়ে
কোৱা ?



# শেষ কবিতা

মিণ্টু চৌধুৰী
মির্জা

আজি তুমি ক'বা,
আৰু মই লিখি যাম।
এটি শব্দবিহিন কবিতা,
য'ত শিৰোনাম তুমি,
আৰু শেষৰটো পৃষ্ঠাও তুমি।
তুমি যেন এক মধুৰ অপেক্ষা,
যাক পাহৰিব নোৱাৰি ,
আৰু যাক পাহৰিব নিবিচাৰোঁ।
ৰঙীন পৃথিৱীৰ মাজত,
এবাৰ নিজলৈকে চাবা,
অস্তিত্ব কোন চুকত ৰৈ গ'ল।
ৰঙীনতাৰ ৰাঙলীত সপোনবোৰে কৈ যায়,
মই আছোঁ বাবে পৃথিৱীখন ধুনীয়া।

# শূন্য পৰিধি


ঋতু অনুৰাগ
মাজুলী

আন্ধাৰৰ বৰণ ভয়
জোনাকৰ সুখ–
অথবা হাঁহি
আন্ধাৰৰ বোকোচাতেই টোপনিৰ লয়লাস
অথচ উদযাপন কৰোঁ
এটি এটি 'শুভৰাত্ৰি'
কাৰ দুহাতত শুভ এই আন্ধাৰ কটা
বাট( ?)
শূন্যৰ পৰিধিৰ মাজত
মায়াময় জীৱন
সেই পৰিধি ভাঙি ওলোৱা বাট শূন্য –
সেই পৰিধিৰ মাজত পোহৰ শূন্য –
সেই পৰিধিৰ ভিতৰত আশাৰ জোৱাৰ
শূন্য
আন্ধাৰত নীৰৱে উৰে
স্মৃতিৰ বাংময় ধোঁৱা
চকুৰেও নমনি
খামুচিব খুজিলেও উৰি যায় কুণ্ডলি
পকাই
পোহৰৰ সন্ধানত
সেই কুণ্ডলিত গঢ়ি উঠে
অসংখ্য চকামকা শূন্য
মাথোঁ জীৱন নামৰ বৃহৎ শূন্যটোৰ
আৱৰ্তত
অসংখ্য পথৰুদ্ধ শূন্য...

# বসন্তৰ শেষ চিঠিখন

পাৰ্থপ্ৰতীম হাতীবৰুৱা
ঘিলাধাৰী, গোলাঘাট

সৌৰা, বসন্ত আকৌ আহিছে।
বসন্তৰ শবদত বুৰ যোৱা চৌপাশত মই আজি
নিৰ্দিষ্ট কোঠাটোৰ এচুকত উচুপিছো আকৌ এবাৰ!
চিঠিখন মেলিছো, পঢ়িছো, জাপি আকৌ মেলিছো।
চিঞৰিছো, চিঞৰিছো!
সেইখন যি শেষ চিঠি বসন্তৰ!
চিঠিত লিখা গধুৰ কথাবোৰ মই নুবুজিলো অ' আই!
চিঠিৰ শেষত "ভালে থাকা" বুলি
কোন সতেৰেনো লিখি মানুহটো গ'লগৈ ন আই?
চাকৰিটো নহ'বগৈ, কোম্পানীটো নচলিবগৈ বুলি
সদায়ে তহঁতে কিয়নো কৰ' অ' কন্দা কটাখন?
ওচৰ চুবুৰিয়াই শুনিলে কি বুলিব!
নুবুজিলো, তেতিয়া একোৱেই নুবুজিলো!
সেইদিনা ৰাতি খৰিৰ জাপটোক
কিয় জ্বলাইছিলো নুবুজিলো!
নুবুজিলো চোতালত বগা কাপোৰৰ তলত
সেইটো যে পিতাই আছিল!
মানুহটোৱে হেনো নোৱাৰিলে বোজাবোৰ সহিব,
অপমানবোৰ মুঠি মাৰিব! হেনো তেনেদৰেই গ'লগৈ।
আজি সাতটা বছৰৰ পাছতো
বসন্ত আহিয়েই আছে।
লগত এইবাৰো আনিছে প্ৰতিবাৰৰ দৰে এইবাৰো
সেই বিশেষ চিঠিখন,
বসন্তৰ শেষ চিঠিখন!!



# চিন্তা

নয়নজ্যোতি মহাপুৰুষীয়া
সাপেখাটি, চৰাইদেউ

স্তব্ধ নিশা...মূৰ্ত আশা
বিপ্লৱৰ ছাত্ৰ তুমি ঘোৰ অমানিশা
ব্যক্ত ভাষা... সুপ্ত ক্ষুধা
যন্ত্ৰণাৰ বলি তুমি নিশব্দ তৃষা।

চৌদিশে বিয়পিছে উত্তপ্ত লাভা
জনতাৰ ক্ষোভে খান্দে জ্বালামুখীৰ শিখা

# এজোপী কৃষ্ণচুড়া

জ্যোতিশংকৰ দাস
তেজপুৰ

মোৰ পদূলিৰ এজুপি কৃষ্ণচূড়া,
তাহানিয়ে ৰোৰা কৃষ্ণচূড়াজুপি
আজি প্ৰাপ্তবয়স্ক.
ঋতুৰ সৈতে সাজ মিলাই
ৰং সলায় ..
হাঁহিব খুজে,ফুলিব খোজে
বতাহত বাউলি হব খোজে
সৰিব খোজে ..

কাষতে এখন পৰিত্যক্ত মৰিশালী
ধোঁৱাই আৱৰি থাকে
চিৰসেউজ হেঁপাহ বোৰক
মৰিশালিত এখন চিতাৰ পৰা
বৈ আহে অহৰহ ধোঁৱা
জলন্ত মৃতদেহতো প্ৰায়
পোন্ধৰ যোল্ল বছৰ ধৰি
উমি উমি জ্বলিয়ে আছে

প্ৰতি মাজনিশা মৰিশালীত,
কোনোবা সাৰ পাই উঠে
আৰু সপোনৰ গান গাই
মোৰ পদূলিয়েদি
পাৰ হৈ যায়..
মই সাৰ পাই
সেই সুৰ বিচাৰি যাওঁ
দেখা পাওঁ মাথোঁ ,
ধোঁৱাই আৱৰি ৰখা
কৃষ্ণচুড়াৰ সেউজীয়া..

# কবিতা অথবা এ পলিটিকেল ষ্টেটমেণ্ট

হৰ্ষবৰ্দ্ধন
চেতিয়া গাঁও, উত্তৰ লক্ষীমপুৰ

পলৰীয়া পলু হৈ যাওঁ নেকি হাবিলৈ!
হাতত লওঁ নেকি শোষণৰ বিৰুদ্ধে এটা ষ্টেণ্ডগান।
শ্লগান চিঞৰাটো আছিল নিচা
লাহে লাহে ই হৈ পৰিছে পেচা।
আন্দোলন মাথোঁ সম্পদ আহৰণৰ এটি আহিলা
খাটি খোৱা মানুহেও সপোনতহে দেখে স্বাধীনতা।
গণতন্ত্র আমাৰ বাবে সংবিধানৰ এটি দীঘলীয়া পৃষ্ঠা
সমতা আমাৰ বাবে পৰীক্ষাত নম্বৰ গোটোৱাৰ আহিলা।
আমাৰ আদৰ্শ আছিল লেনিন, মাৰ্ক্স, অথবা চে গুৱেভাৰা
যাৰ পৰা আমি লৈছিলোঁ বিপ্লৱৰ দীক্ষা।
আশীৰ দশকটোৰে খোজ কাঢ়ি শ্বহীদ হৈছিল কিমান ডেকা ল'ৰা
অথবা অবাটে গৈছিল স্বাধীনতা।
আমি মাত্র বিচাৰিছিলোঁ সুখৰ সংজ্ঞা
সেয়েহে শাসকৰ জখলাৰে নামি আহিলোঁ "নৈৰাজ্যবাদত"।।

# যিবোৰ কথা নিয়মত পৰে

সমীৰণ সপোন
তিনিচুকীয়া

ব'হাগৰ আগত ফাগুন নিয়ম অনুসৰিয়ে আহে বেলিফুলৰ দৰে
মাহৰ পিচত মাহ
দিনৰ পিচত ৰাতি ফৰিংফুলৰ দৰে আৰু
আমাৰ মাজত শেষ নিশা যিবোৰ কথা হৈছিল
নিয়মত পৰিয়ে কোৱা হৈছিল
জী থাকিবলৈ ভাত আৰু পানী যে প্ৰয়োজন

নাকত ফুলা শিমলু ফুল সৰিল
যিটো কথা নিয়মতে পৰে

এতিয়া
চকুত জাল এখন বান্ধি তুলুঙা নাও এখন বঠা বাই
ক'লাজামু খাবলৈ বিচাৰি ফুৰা দিনবোৰ গ'ল
পাখি সৰিল চৰাই জাকৰ

গেটৰ সন্মুখত কুকুৰৰ পৰা সাৱধান বুলি লিখাটো
চেলিব্ৰেটি মানুহৰ নিয়ম
মদৰ লগত চিগাৰেট হুপ দিয়াটো আজিকালি নিয়মৰ ভিতৰতে পৰে
প্ৰেমত কিছুমান কথা অসাংবিধানিক হলেও
ভাল পাই ওঁঠত চুমা আঁকি দিয়াটো প্ৰেমৰ নিয়ম


দেশত চলি থকা
অপশাসন,ধৰ্ষণ,নিৰনুৱা আৰু এনকাউন্টাৰ
এইবোৰ কথা নিয়মৰ ভিতৰত নপৰে
মহামাৰী আৰু বানপানীৰ স'তে যুঁজি জীয়াই থকা
পৰিয়ালবোৰ নিয়মৰ ভিতৰত নপৰে
মন্ত্ৰী বিধায়কে বিহু সংস্কৃতিক
চান্দা সংস্কৃতি বুলি কোৱা কথাবোৰ নিয়মৰ ভিতৰত নপৰে
অমুক সমষ্টি বিধায়ক কয়লা আৰু গৰু চিণ্ডিকেটত জড়িত
বিলাসী সম্পত্তি কথাবোৰ
কুঁৰলিয়ে চানি ধৰা দি ধৰে

সাধাৰণ ৰাইজে জানে
অথচ কথাবোৰ নিয়মৰ ভিতৰত নপৰে

এতিয়া তোমাক ভাল পাবয়ে লাগিব বুলি কোনোটো নিয়ম নাই
জীৱনৰ বাবে কিছুমান নিয়ম শিল হোৱাটো ভাল
নিয়মৰ ভিতৰত দুখো থাকে
সুখো থাকে
আৰু কথাবোৰ কথা হ'লে কথাবোৰ কবলৈ ভাল
যিবোৰ কথা নিয়মত পৰে

প্ৰতিটো জাতিৰে থাকে কিছুমান নিয়ম

পানী এডুঙা ঘুলা কৰি টুৰা মাছৰ দৰে পলাই ফুৰা মাছ বহুত
দেখিছোঁ
যিটো নিয়মৰ ভিতৰত নপৰে



**ষষ্ঠ ভাগ**

**সম্পাদনা**

ঊষামণি শইকীয়া



# শব্দৰ জুই জুই খেল

হৃদয় কুমাৰ পাটগিৰী
গুৱাহাটী

'আমাৰে মইনা শুব এ'
এই গানটো নাগাবা
শব্দবোৰক নিদ্ৰাই জালত বন্দী কৰিব।
হিটলাৰৰ সাধু কোৱা
নিদ্ৰাসক্ত শব্দবোৰে এঙামুৰি দি থিয় হ'ব।
এতিয়া টোপনিৰ সময় নহয়
শব্দবোৰক শুব নিদিবা।
সিহঁতৰ এলাহ
আমাৰ বেমাৰ
সিহঁতৰ টোপনি
আমাৰ অকাল মৃত্যু।
সিহঁত আমাৰ দিবাৰাত্ৰ প্ৰহৰী
ৰাতিৰ কোলাত মেদবঢ়া
কুন্ধচ শব্দবোৰক
সিহঁতেই কৰায়ত্ব কৰক।
ৰাতিৰ কোলাতেই ভূমিষ্ঠ হওক
প্ৰজ্ঞাৰ সন্ধান দিব পৰা
শিশু কৃষ্ণৰ দৰে শব্দবোৰ।
ভয়াল উত্তাল সাগৰতো
সিহঁতেই নিৰ্মাণ কৰক
মজবুত কবিতাৰ দলং।
কাবাদী ভটাগুটি
এইবোৰ শব্দই খেলা খেল
এইবোৰ আমাক নিশিকোৱাই ভাল আছিল
বিপক্ষই জিকি থকা খেল আৰু কিমান খেলিম।
এইবাৰ শব্দই
অন্য এটি খেল খেলক
জুই জুই খেল ।
দূৰৰ জুইকুৰা দেখি
ৰাতিৰ মহাসমুদ্ৰত
বিভ্ৰান্ত হোৱা নাবিকবোৰে
নিৰাপদ উপকূলত টাইটানিক চপাব পাৰিব ।
জুই মানে পোহৰ
জুই মানে সঠিক লক্ষ্যস্থান ।
লাগিলে এই খেলৰ প্ৰতিযোগিতা হওক
জুই জুই খেল ।

# পৰিক্ৰমা

মনোজ কুমাৰ দাস
জালুকবাৰী

জীৱন পৰিক্ৰমাৰ
সীমাহীন দস্তাবেজ ফালি,
উন্মুক্ত হোৱাৰ হাবিয়াস
নহয় যে ই নষ্টালজিক।

কৈলাশ ভ্ৰমণ কৰিছানে ?
কেতিয়াবা সাগৰৰ
সিটো পাৰৰ দৰদী হিয়াৰ
শুনিছানে কাতৰখিনি ?
মহামিলনৰ প্ৰেম
ভালপোৱাৰ সংজ্ঞা তাতেই।

দেশ-জাতি
কিম্বা মাটি ভেঁটিৰেই
হওক অকুণ্ঠ প্ৰেম।
উপলব্ধ হয় জানো
হাততে স্থিতিবদ্ধ
পৰিকল্পিত ধনঞ্জয়ক,
মুষিমূৰ হ'বলৈ
নিদিওঁ কাহানিও...
কিয়নো
শিলাবস্ত্ৰ পৰিধান কৰাৰ
আছে যে মোৰো
অন্য এক হাবিয়াস
পিতামহ।।



# অনুভৱ

জিতু কাঞ্চন
ৰঙিয়া

সপোনবোৰ চাগে তেনেকুৱাই
নষ্টালজিক
কেতিয়াবা হুহুঁৱাই
আৰু
কেতিয়াবা কন্দুৱাই,
মাথোঁ
স্মৃতিবোৰ সোঁৱৰণী হৈ ৰৈ যায়।
মৰমবোৰ বৰ আকলুৱা
নিমিষতে অন্তৰ গলি যায়
ভাবি নাচায় কেতিয়াও
সেই মৰম যে ক্ষন্তেকীয়া
তথাপি কাৰোবাক ভাল পোৱা যায়
হিয়া উজাৰি মৰম দিয়া যায়।
কাৰণ–
হৃদয়টো নুবুজে
সেয়া যে এক অভিনয়
এখন হৃদয়ে এখন হৃদয়ৰ লগত
খেলা এখন মায়াবী খেল।
তথাপি প্ৰেম অমৰ
চিৰযুগমীয়া
কাৰণ
প্ৰেমৰ বাবেই হয়তো
সৃষ্টি আছে
আৰু প্ৰেমতেই ভগৱান আছে,
প্ৰেম মানেই ভগৱান আৰু এই সৃষ্টি,
আৰু ভগৱান মানেই প্ৰেম।

# অপেক্ষা

ৰুবী বৰা
ৰূপহী, নগাঁও

অপেক্ষা যে কিমান যন্ত্ৰণাদায়ক
তুমি নুবুজিবা,
কাৰণ তুমি আজিলৈকে অপেক্ষা কৰি
পোৱা নাই যে,
অপেক্ষা কি মোক সুধিবাচোন
মই বহুত ভালকৈ বুজি পাওঁ।
অপেক্ষাৰত এটা মুহূৰ্তও
এটা যুগ যেন লাগে
তেতিয়া মোৰ মনটো বিষাদেৰে ভৰি পৰে।
মন- মগজুত তোমাৰ প্ৰতিচ্ছবিয়ে
মোক বহুত আমনি কৰে,
তুমি আহিবা বুলি অধীৰ অপেক্ষাত
আছোঁ,
আজীৱন মোৰ হৈ
কাষলৈ আহিবা বুলি বাট চাই ৰ'ম।
মাথোঁ তুমি এদিন আহি
মৰমেৰে এষাৰ মাত দি যাবা
তেতিয়া মোৰ অধীৰ অপেক্ষাৰ
অন্ত পৰিব।
তোমাৰ মৰমসনা মাতষাৰ বুকুত বান্ধি লৈ
এই পৃথিৱীৰ পৰা চিৰ বিদায় মাগিম।

# ৰঙালীক আদৰি আনোঁ আহা

কল্যাণী ডেকা
বেলতলা , গুৱাহাটী

ৰঙালীক আদৰিবলৈ হেঁপাহেৰে
ৰৈ থাকে অসমীয়াই,
মৰমৰ বিহুটিক আদৰিবলৈ
চ'তৰ পৰাই প্ৰস্তুতি চলায়।
আইৰ তাঁতত ৰঙা আচুৰ গামোচা
আপোনজনক দিবলৈ লাগে,
ৰঙালী বিহুত ভমকা ফুলীয়া,
বিহুৱান লৈ ঢুলীয়া হয় বিহুতে বলিয়া।
মৰমৰ দীঘেৰে, চেনেহৰ বাণীৰে,
নাচনীয়ে বৈছে গামোচা চেনাইলৈ বুলি,
মুগা সাজযোৰ পিন্ধি খোপাত কপৌফুল লৈ
মনে মনে যাবগৈ নৈৰ ঘাটলৈ,
চেনাই ধনক বিহুৱান দিবলৈ।

গছৰ ডালত কুঁহিপাত ওলালে ,
কুলিটিয়ে দিব ব'হাগ অহাৰ জাননী ,
সাজু হ অসমীয়া হেঁপাহৰ ৰঙালীক
ঢোলে দগৰে আদৰিবলৈ বুলি।

# তফাতহীন শব্দবোৰ

গৰিমা দাস
গুৱাহাটী

মৃত সময়বোৰ জী উঠে
জীয়া সময়বোৰ মৃত হয়

আয়ে আহি মোক সুধে
মই তহঁতক হেৰুৱালোঁ নে
তহঁতে মোক হেৰুৱালি

মই মৃত নে
তহঁত জীয়া

বুজি পাওঁ
অসহ্য যন্ত্ৰণাত ছটফটাইছে মোৰ আই
ঠিক মোৰ দৰেই

মই কওঁ
জীৱন-মৃত্যুৰ পৰিভাষা
নুবুজিলোঁ আই
মাথোঁ বুজোঁ
তফাতহীন শব্দবোৰে
জীৱনৰ ইপাৰে সজাই মোক
জীৱনৰ সিপাৰে সজাই তোক

সেইবাবেই চাগে আই
মৃত সময়বোৰ জী উঠে
জীয়া সময়বোৰ মৃত হয়।

# ভোগালীৰ আখল

বাসুদেৱ হাজং

ভোগালী পদুলি পালেহি
হিমসৰা শীতৰ লগত
প্ৰস্তুতি আখলত
অহৰহ চলিছে
ভোগৰ পিঠালিৰে
পিঠা বনোৱাৰ কাম

দিনে ৰাতিয়ে
ঢেকীৰ গুমগুমনি শব্দ

চৌদিশে উঠিছে
আকাশ ভেদি
তেলপিঠা ঘিলাপিঠাৰ কলৰৱ

গাঁও ভূই পথাৰ
যলৈ চাওঁ
সকলোতে একাকাৰ
মেজিঘৰ ভেলাঘৰৰ কাম

সকলোৰে মনত
আনন্দ উল্লাস ভৰি আছে
ধৈৰ্যৰে
এটি ক্ষণৰ বাবে
হেঁপাহৰ
ভোগালীক আদৰিবলৈ

# শ্ৰমিকৰ যন্ত্ৰণা

চিন্ময় ডেকা
জলাহ্ টংলা ওদালগুৰি

গৰাকীৰ ঘৰত কাম কৰোঁ দিনৰ দিনটো
উপাৰ্জন মাথোঁ সন্ধিয়ালৈ তিনিশ টকা
অৱকাশ নাই কোনো
সময়ত হয় থিতাপি
প্ৰত্যেকটি ক্ষণত অযুত গালি-শপনি।
গৰাকীয়ে দিবলৈ টান পায়
উপযুক্ত পৰিশ্ৰমৰ পাৰনি
বক্সিছৰ কথা নকলোৱেই
হতাশ হৈ উভতনি  যাত্ৰা ,
পৰিয়ালৰ লগত
কত কিমান নিৰ্যাতনৰ যন্ত্ৰণা
ভুক্তভোগীয়ে জানিব তাৰ সহিষ্ণুতা।
অভাৱে জুৰুলা কৰা সংসাৰত
হওঁ আমি কেৱল দিশহাৰা।
কোনে বুজিব
নিৰীহ শ্ৰমিকৰ যান্ত্ৰনাক
যিমান কৰ্ম কৰিবা, তদ্ৰূপ থাকিব
আন্তৰিকতা।
কিন্তু নেপাওঁ,
প্ৰাপ্যৰ উন্মুক্তধাৰা, কিয় বাৰু?
জগতত এই ব্যক্তিকেন্দ্ৰিক ভাৱধাৰা
দুৰ্ভগীয়া ব্যক্তিত্বৰ অধিকাৰী হ'বা যেতিয়া
বুজি উঠিবা তাৰ কষ্টৰ সাৰ্থকতা কিমান
এতিয়া নুবুজিবা;
এজন শ্ৰমিকৰ সংসাৰৰ তিক্ত বেদনা।।
আপোনাৰ দৰে,
তেওঁৰো আছে এখনি সংসাৰ
য'ত পিতৃ, মাতৃ আৰু সন্তানৰ সমাহাৰ।
শ্ৰমিক তেওঁলোক
কেতিয়াবা অনাহাৰে কটায় জীৱন
দৰাচলতে প্ৰকাশ নকৰে কেতিয়াও,
আনৰ আগত
আপোনাৰ দৰে অহংকাৰ নাই ?
তেওঁলোকৰ সংসাৰত।
নাই কোনো বিলাসিতা
যি আছে তাতেই সন্তুষ্ট, এই জগতত
মাথোঁ কেৱল তেওঁলোকৰ চিনাকি
পৰিচিত ... নাম শ্ৰমিক।

# নির্ভুল হওক শব্দৰ প্ৰতিটো ঠিকনা

উষামণি শইকীয়া
গুৱাহাটী

তেওঁৰ দৰেই
মোৰো সোঁৱে-বাঁৱে
শব্দবোৰে উমলি থাকে!
মই শব্দবোৰক বুকুৰ উমদি
লালন কৰোঁ।
তেওঁৰ দৰে ক্ষোভত
বুকুৰ কপাট খুলি
শব্দবোৰক ধিক্কাৰ নিদিওঁ!
মোৰ স্বাধীন শব্দবোৰ
আনৰ বাবে অস্ত্ৰ নহয় কাহানিও।
তেওঁৰ কণ্ঠত
ব্ৰহ্ম শব্দই সুৰ তোলে
সেই সুৰৰ ৰাগিনীত
ভোল যায় অনেক বিভ্ৰান্ত পথিক!
মোৰ প্ৰেমিক শব্দবোৰে
নাজানে সাঁতুৰিব
চক্ৰান্তকাৰীৰ অথাই সাগৰত
অথবা
বিশ্বাসহীনৰ আঙুলিত নাচি
হ'ব নোখোজে
সেন্দূৰ বুলিয়া ওঁঠৰ
মুখ ৰোচক খাদ্য ।
শব্দবোৰক মই নিশিকাওঁ
শিষ্টাচাৰ ভংগ কৰি
মহটিয়াই থৈ যাবলৈ
চিনাকি পদূলিৰ চিনাকি জপনা।
মোৰ শব্দবোৰ
মোৰ স্বাভিমান,
মোৰ অহংকাৰ।
সেয়াই মোক জিলিকাই ৰখা অলংকাৰ।

# যুদ্ধ বিভীষিকা

আল্পনা দলে
বীৰকুছী , গুৱাহাটী

বাজি উঠিছে যুদ্ধৰ দাৱানল
বোমা বাৰুদ অস্ত্ৰৰ ঝনঝননি
যুদ্ধ মানেই মানৱতাৰ হত্যা
ধৰ্ষণ শোষণ নিৰ্যাতন
চৌদিশে অৰ্তনাদ আতংকিত
অপ্ৰতিৰোধ্য আক্ৰমণ
দিশহাৰা জীৱন
যুদ্ধবাজ ৰাষ্ট্ৰ
আমি একেলগে জীয়াই থাকিব খোজো
ৰূপে মোহনীয় বিনন্দীয়া ধৰিত্ৰী
এখন সুন্দৰ পৃথিৱী বিচাৰোঁ
যুদ্ধ সভ্য সমাজৰ পৰিপন্থী
সৰ্বত্ৰ শান্তি বিচাৰোঁ
যুদ্ধই সমস্যাৰ সমাধান নহয়
শান্তিৰো বিকল্প হ'ব নোৱাৰে
বিপন্ন হৈছে
বিশ্ব শান্তি গণতন্ত্ৰ অৰ্থনীতি
অবিবেচকী অযুক্তিকৰ
সংকটপূৰ্ণ মানৱীয় শৰণাৰ্থী
মানৱ ৰূপী দানৱৰ লৌহ হৃদয়
যুদ্ধ অন্ত পৰক
শান্তি প্ৰতিষ্ঠা হওক
ধ্বংসপ্ৰাপ্ত  ঘৰবোৰে
হেৰোৱা মানুহবোৰলৈ বাট চাই আছে।

**সপ্তম ভাগ**

**সম্পাদনা**

মৌচুমী ৰাজখোৱা





# ব'হাগ

ডাঃ হীৰেন্দ্ৰকুমাৰ ভাগৱতী

আজি মন্ত্ৰক কৰিলোঁ প্ৰশংসা
আকৰ্ষণক দিলোঁ আশীৰ্বাদ
আজি মই বহাগক বুজি পাইছোঁ
মোৰ দুবাহুৰ আৱেশত কপৌফুল
ব'হাগ সোণালী
ব'হাগ মেঘালীও কেতিয়াবা
ব'হাগ কৰুণাময়ী
নিষ্ঠুৰ
কোমল
উশৃঙ্খল
ফুলে পাতে কোমল ব'হাগ
হঠাতে আজি ক্ৰোধৰ লগত শীতৰ মিতিৰালি
ব'হাগ যে পৰিৱৰ্তনশীল
চিৰসত্য
মই ব'হাগ ভাল পাওঁ
কাৰণ মই তোমাকেই ভাল পাওঁ...

# যি হৈছে ভালেই হৈছে

জ্যোতি পৱন
নগাঁও

যি হৈছে ভালেই হৈছে
বুকুৰ ভিতৰলৈকে খৰাং।

আঙুলিবোৰ ক্ৰমশঃ
সেউজীয়াৰ পৰা ৰঙা
পানীৰ পাইপবোৰত
এন্দুৰ নিগনিৰ সহবাস।

কিনো বেয়া হৈছে
যি হৈছে ভালেই হৈছে।

আখলৰ জুই নুমুৰাবলৈ
নমতাকৈ নদীখন গাঁৱলৈ সোমাই আহিছে,
দুখীয়া নিচলাই পেটত গামোচা বান্ধিছে,
চাউল দালিবোৰ গুদামত পঁচিছে।

কিনো বেয়া হৈছে
যি হৈছে ভালেই হৈছে।

মানুহৰ সুৰক্ষা নাই
গৰুবোৰে দাঁত নিকটাই হাঁহিছে।
কিনো বেয়া হৈছে
যি হৈছে ভালেই হৈছে।

এতিয়া আপুনিও এবাৰ ভাবকচোন
আপোনাৰ চকুৰ আগত
কি হৈছে...

# ৰ'দ যে মোৰ আজন্ম ভালপোৱা

জয়ন্ত বৰুৱা

মই যিকোনো মূহূৰ্ততেই প্ৰেমত পৰিব পাৰোঁ
আৰু দূৰ্দান্ত প্ৰেমিক হ'ব পাৰোঁ
আচলতে মোৰ একোৱেই নাই
শূন্য গহ্বৰ এটাতহে বন্দী মই
শূন্য হাতেৰে মই আকাশ চাই ভাল পাওঁ
শূন্য হাতেৰে মই জোনাকৰ স'তে কথা পাতি ভাল পাওঁ
শূন্য হাতেৰে আকাশে সাগৰে ওলমি থকা জোনটোৰ বুকুৰ
কলংকৰ দাগবোৰত মই মোক বিচাৰি ভাল পাওঁ
মই জানোঁ , জনঅৰণ্যত মই অচল টকা
মই জানোঁ , সৃষ্টিৰ পথাৰত মই অস্তিত্বহীন
তথাপিও মই জীয়াই আছোঁ
শূন্য হাতেৰে আকাশ চাইছোঁ
আকাশৰ উদাৰতা আৰু বিশালতাৰ স'তে
নিজকে বিলিন কৰাৰ চেষ্টা চলাইছোঁ
আৰু যিকোনো মূহূৰ্ততেই আশাহতজনৰ প্ৰেমত পৰাৰ দূৰ্বাৰ
হেঁপাহ
সঞ্চিত কৰিছোঁ
কিয় জানা...
সেউজীয়াৰ মুখ চাই পৃথিৱীৰ প্ৰেমত পৰে ৰ'দ
ৰ'দ যে মোৰ আজন্ম ভালপোৱা

# এনেই

ধন দাস
নগাওঁ

১)

“নাম লোৱা হে’ মন ভাই
নাম লোৱা” মন্দিৰত বহি
কি নো আছে জীৱনত
মৃত্যুৰ ঘন্টাধ্বনি
চিতাৰ বাবেও কিনিছোঁ মাটি ।

২)

চিগাৰেট এটা দিয়া গণতন্ত্ৰ
চিন্তাৰ বিছনাত বহি অংক কৰোঁ
ভুলক ভুল কৰি
জীয়াই আছোঁ , হাঁহি আছোঁ , কথা কৈ আছোঁ
কিনো যাব দেশ-ভাষা অথবা ...

৩)

ৰাতিবোৰৰ টোপনি হেৰাইছে
এটা টোপনিৰ বড়ি দিয়া
ৰাতিবোৰে হেৰুৱাইছে যৌনতা
এটা বড়ি দিয়া অশ্লীল হ’ব পৰাকৈ
বিলাসী পৃথিৱীত এতিয়া প্ৰেম পৰকীয়া ।

# শূন্যতা

কোকিল শইকীয়া
গহপুৰ

গৰুবিলাকৰে ভাল।
নিমাখিতভাৱে পেট পেলাই চিন্তাৰ লগতে ঘাঁহো পাগুলি থাকিব পাৰে।
মানুহে কেৱল পেট পেলাই চিন্তাবোৰ পাগুলি থাকে
অৱশ্যে খৰ এডোখৰ থাকিলে ভাল
দিনটোত দুবাৰতকৈ বেছি স্বমেহনো ভাল নালাগে।
একাধিক স্বমেহনৰ পিছতো
যেতিয়া টোপনিয়ে আগভেটি নধৰে ....

# বিক্ষিপ্ত

ৰশ্মিৰীয়া গগৈ
কাৰ্বি আংলং(ডিফু)

সু আৰু কু বুলি কোনো কথা নাই
পিছলৈ পাছি পাছি আঁভজাকৈ ধৰা দিয়া শব্দ দুটাতেই মোৰ শতেক পৰ।
মুখৰ ভিতৰত পুঁহি ৰাখিছোঁ কতবোৰ মুখ
বুকুৰ মাজত জীয়াই ৰাখিছোঁ ধোঁৱা সেউজীয়া, অ'তবোৰ উশাহ
শৰীৰত প্ৰতিনিয়ত পোহ-পাল দিছোঁ ৰঙা শেতা চৌবিছটা শ'ৰ
মই বন্দী এটি বন্ধ কোঠাৰ
মোৰ সোঁৱে-বাঁৱে সহস্ৰ কবিতা
যাক লিখিবলৈ কোনো কবি নাই
পঢ়িবলৈ নাই কোনো পাঠক
কাষতে সেয়া সন্তামগ্ন এজাক মাছৰোকাৰ কৰ্ণভেদী কোৰ্হাল।
চিতা/কেৱল চিতা
দলে-বলে চিতাবোৰ দপ্‌দপাই জ্বলিছে। ভস্ম ধূলিৰ কুকুহাঁই জোনতো ঢাকিছে
চণ্ডালৰ হিচাপ কেঁচা
চৰকাৰৰ হিচাপ পকা
একে শূন্যে দহতেই খটম সকলো তালিকা
লাইনৰ মুৰত থিয় হৈ পিৰিক-পাৰাক চকুৰে
কিহৰ অপেক্ষাত নিঃস্ব কবি
শেষ ড'জ ৰেমডেচিভিৰ নে সস্তীয়া ফেনাইল
তৰাজুত কাৰ ওজন বেছি!



# ‘আকাংক্ষিত সপোন’

জাহ্নৱী ভাগৱতী
গুৱাহাটী

উশাহেচোন বাট সলাইছে সংগোপনে !
অনামি মিঠা সুৱাস আজি অৱধাৰিত
মোৰ চৌপাশে।
বহ্নিমান নৈখনৰ মৰা সুঁতিয়েও
আজি হঠাৎ গতি কৰিলে .....
ডাৱৰমুক্ত হৈ আকাশখনেও ছটিয়ালে
বৰষুণৰ  টোপালবোৰ,
ঠিক, ফুলৰ পাপৰিৰ দৰে !
ৰ’দৰ জিলিঙনিত ৰামধেনুৰ সাতো ৰং
এক অবুজ শিহৰণত আজি আহ্লাদিত মোৰ হৃদয় !
এয়াইটো মোৰ আকাংক্ষিত সপোন... বহু যুগ যুগান্তৰৰ !

# সুখী মানুহবোৰ

বশিষ্টদেৱ ফুকন

সুখী মানুহবোৰ বেলেগ ধাতুৰে গঢ়া নহয়
নহয় অদৃশ্য শক্তিয়ে গঢ়া
তেওঁলোকে আওৰাব নোখোজে
সুখী হোৱাৰ গদ্য
নাথাকে আভিজাত্যৰ সমদলত
চামিল হোৱাৰ স্বপ্ন
গঢ়িব নাজানে অহমিকাৰ দুৰ্গ
বিচাৰি নুফুৰে ভোগবাদৰ স্বৰ্গ
মৰীচিকা খেদাৰ অনুশীলন নকৰে সুখী মানুহবোৰে
সুখী মানুহবোৰ সৰল
সুখী মানুহবোৰ নিভাজ আৰু কোমল
আপুনি হাঁহিলে সুখী মানুহবোৰে হাঁহে
আপুনি কান্দিলে সুখী মানুহবোৰে কান্দে
(হয়তো সুখী মানুহবোৰ পানীৰ দৰে!)
আচলতে সুখী মানুহবোৰৰ কোনো সংজ্ঞা নাথাকে
অৱশ্যে সুখী মানুহবোৰৰ বুকুতো থাকে
যন্ত্ৰণাৰ এখন অদৃশ্য সাগৰ
তাৰ পাছতো কিন্তু অসুখী নহয় তেওঁলোক
কাৰণ-
সুখী মানুহবোৰে কান্দি কান্দি হাঁহিব জানে
হাৰি হাৰি জিকিব জানে
অপ্ৰাপ্তিৰে লিখিব জানে প্ৰাপ্তিৰ বুনিয়াদ
আঁত হেৰুৱায়ো বিচাৰিব জানে বাট
ধুমুহাৰ মাজতো পাৰ হ'ব জানে দেওলগা ঘাট
দৌৰিব নাজানিলেও উৰুৱাব জানে সফলতাৰ নিচান
গাব জানে জীৱন জিনাৰ গান।

# হালধিৰঙী সপোন

কুঁহিস্মিতা বৰা
বোকাখাত

বৰ্ষাৰ মেঘবৰণীয়া আকাশত
আকাশৰ সীমনা চুব খোজা
চৰাইৰ দৰে উৰিছিল
চৰাইৰ দৰে উৰিছিল
এজাক হালধীৰঙী সপোন
বতাহে আগুৱাই নিয়া মেঘৰ দৰে
গৈয়েই থাকে, গৈয়েই থাকে
সেয়া সপোনৰ দেশৰ কক্ষপথ
হালধিৰঙী সপোনজাকে লগত লৈ ফুৰে
এটা সোণালী বেলি
যাৰ পোহৰত আলোকিত হয়
পৃথিৱীৰ আদিমতম পৱিত্ৰতাৰ মন্দিৰটো
যাৰ সোণালী কিৰণ
হাজাৰ টুকুৰা জলফাই বৰণীয়া মেঘেও
ঢাকিব নোৱাৰে
আৰু সিহঁতৰ লগত থাকে
এখনি নীল নৈ
যাৰ লগত আছে
হাজাৰজন মানুহৰ সংগ্ৰামৰ স্মৃতি
সেই বেলিটো আৰু নৈখনক
মই চাব খোজোঁ
সেইবাবেই বিশাল আকাশক সোধোঁ
হালধিৰঙী সপোনজাক ক'ত আছে বাৰু।।

# এখন মায়াবী চহৰৰ ইতিবৃত্ত


গোপাল শৰ্মা

এই চহৰৰ ফুলি থকা ফুলবোৰ, হালি জালি
নাচি থকা গছবোৰ
বৰ আচহুৱা
ইয়াত সুগন্ধি নুফুলে, পখিলাই ৰং নচটিয়ায়
নিশাহে চাফা নকৰে তেজৰ কণিকা
এই চহৰত কদৰ্যৰ বৰষুণে ডুবাই ৰাখে
সৌন্দৰ্যৰ মাদকতা
এই চহৰৰ
আপুনি যি অট্টালিকাৰ বাসিন্দা
আপুনি যি আৰামী পৃথিৱীৰ পুতলা
তাত ক'তো আন্তৰিকতা নাই কিঞ্চিতো
বেসুৰা ৰাগ হৈ বাজি থাকে এই চহৰ
প্ৰহেলিকাময় উত্তাল সুৰৰ লয়ত
এই চহৰ আলোকিত কৰাৰ নামত উলংগ
হয় প্ৰতি সন্ধিয়া
নিয়ন লাইটৰ পোহৰত নগ্ন হয় সভ্যতা
এই চহৰৰ মানৱীয়তাত থাকে ৰুক্ষতা
প্ৰৱঞ্চনাৰে কোঙা হয় জীৱন
এই চহৰ ৰক্তাক্ত হয় কিশোৰীৰ যোনি শোণিতেৰে
এই চহৰত শিপা খামুচি থকা মানুহ হৈ পৰে প্ৰাচীন
আৰু প্ৰাচীন চিন্তা তাত প্ৰয়োজনহীন
এই মায়াবী চহৰত ভেনগ'ঘৰ ছবি মৰে
ভিঞ্চিৰ মনালিছা নিৰ্যাতিতা হয়
নীলপৱনৰ প্ৰেম কলুষিত হয়
ইয়াত সকলো অসম্ভৱ সম্ভৱ
দালিৰ ঘড়ী গলি যোৱাৰ দৰে
বেণু মিশ্ৰৰ মৃত স্বামীক সমুখত লৈ বহি থকা
বিধবাক প্ৰেম নিবেদন কৰাৰ দৰে
সকলো অসম্ভৱ সম্ভৱ
অসম্ভৱ মাথোঁ শিপাৰ দৰে প্ৰাচীন চিন্তা জীয়াই থকাটো

## অষ্টম ভাগ

## কাৰ্যবাহী সম্পাদক

উৎপল গোস্বামী



# এটি প্ৰাতঃস্মৰণীয় পুৰাৰ স'তে

স্বপ্না বৰঠাকুৰ
যোৰহাট, অসম

সুৰ এটি ঢৌ খেলি খেলি বিয়পি পৰিল
শুভ্ৰ বৰফাবৃত্ত পৰ্বতৰ ফাঁকে ফাঁকে
অজানিতে সাৰ পায় উঠিল সূৰ্যমুখী ফুলৰ পাহি
কোনোবা মন্দিৰত পুৰাৰ মংগলধ্বনি বাজিল
পৰ্বতৰ আওগড়ায়েদি নামি আহিল
শতেক আদি ডেকা-গাভৰু

অলপ পাছতে পৰিশ্ৰমৰ পথাৰখন জীপাল হৈ পৰিব
ঘাত-প্ৰতিঘাতৰ অংক ফালি বগুৰাবাই আহিব নতুন দিনৰ
ইতিহাস
নতুনৰ চেতনা প্ৰবাহৰ কথা ক'ব তেওঁলোকে
যাৰ সপোন সূৰ্যমুখী
শব্দ ব্ৰহ্মত্বত ওমলে যাৰ দিন আৰু ৰাতি
আখৰা পাতি তেওঁলোক বহিছিল সিদিনা
কাৰোবাৰ গুৰু-গম্ভীৰ কণ্ঠেৰে নিগৰিছিল সেই সুৰ
য'ৰ পৰা আধ্যাত্মিক পোহৰবোৰ বিয়পি পৰে
মন-মগজু, সিৰা-উপসিৰায়েদি
আৰু তেওঁলোক !
যি গাব জানে কৰ্ষণ পথাৰৰ গীত অহৰহ
আপোন সত্তাত যাৰ যুগৰ দলিল
কথাবোৰ সোণালী হ'ব পাৰে এইভাবেই
উৰ্বৰাপথাৰখনৰ স'তে মোৰো দিনৰ আহ-যাহ নিবিড়ভাৱে
প্ৰাতঃস্মৰণীয় পুৰাটোৰেই গীত জোৰোঁ হৃদয় ভৰাই
প্ৰহেলিকাভেদি আঁতৰি যায় অমানিশা লাহে লাহে।।

# আৰণ্যক তৃষা

অলকানন্দা ৰাজবংশী বৰা
শব্দম, বিশ্বনাথ চাৰিআলি

বিচাৰিলেই যদি নদীখন উৰি আহে
এখন নীলা চাদৰ হৈ,
ফুল ফুলে, নিয়ৰ সৰে, জোনাকৰ ধল নামে!
বিচাৰিলেই যদি এটুকুৰা মেঘ নামি আহে
আলসুৱা ছাঁ হৈ।
জনসমুদ্ৰৰ শৃংখল ভাঙি
আজিও মই দুৰ্বাৰ স্বপ্নপিয়াসী।
লুপ্তপ্ৰায় অৰণ্যৰ বুকুতো বিচাৰি চলাথ কৰোঁ চঞ্চল বন হৰিণী।
কুঁহিপাতৰ বুকুত যেতিয়া কুচিমুচি শুই থাকে প্ৰভাতী পুৱা
উৰন্ত বতাহৰ স'তে মই প্ৰাণ খুলি কথা পাতোঁ।
কল্পনাৰ চৰাইজনীৰ স'তে সুহুৰিয়াই সুহুৰিয়াই ভাগৰি পৰোঁ।
কংক্ৰিটৰ এই নগৰখনত উশাহ ল'বলৈ বৰ কষ্ট হৈছে মোৰ।
ইয়াত থকা নদীখনত বালিচৰ পৰিল,
সেউজীয়া পাহাৰটোৰো বুকুখনত ডাঙৰ অস্ত্ৰোপচাৰ হৈ গ'ল।
বকুত হাবিয়াস এটাই ভৰপক দিছে,
চহৰৰ নিয়ন লাইটৰ উৎসৱ মেলাৰপৰা আঁতৰি আকৌ এবাৰ
উভতি যাম পাৰভঙা পূৰ্ণিমাৰ ৰাতি।
য'ত অৰণ্যৰ প্ৰতি টোপাল সেউজীয়াৰে মোৰ বুকুৰ ধূসৰতাক আঁতৰাব পাৰি।

# মোৰ ইচ্ছাৰ বাট

পুণ্য দেৱী
যোৰহাট, অসম

মোৰ ইচ্ছাৰ বাটত লগ পাবলৈ মন যায়
এই ধুনীয়া পৃথিৱীৰ সকলো মানুহক
যি বাটেদি অহাযোৱা কৰা সকলো মানুহে বিনিময় কৰে চেতনাৰ বন্তিৰ পোহৰত
হৃদয়ৰ সকলো ভাৱনা একেটি ভাষাৰে
যি বাটত ভাষাৰ নামত সৃষ্টি হোৱা নাই
মানুহ আৰু মানুহৰ মাজত বিদ্বেষ, বিভাজন, ভূগোলৰ জেওৰাৰ আঁৰৰ পৰা য'ত
কেতিয়াও হোৱা নাই শিলাবৰ্ষণ আৰু ধুমুহাৰ তাণ্ডৱ
জীৱশ্ৰেষ্ঠ মানৱ জাতিৰ চেতনা আলোড়িত আৰু হৃদয় আলোকিত কৰি তুলিব পৰা
পৃথিৱীৰ সৰ্বোত্তম ভাষাটো,
যাক মানুহে চিনিও নিচিনে
বুজিও নুবুজে
যাৰ অৱস্থিতিয়ে পৃথিৱীখনক অদ্যপৰিমিত মৰুভূমিলৈ ৰূপান্তৰিত হবলৈ
এৰি দিয়া নাই
মানৱজাতিৰ চিৰ কল্যাণকাৰী চিৰজ্যোতিময়
ভাষাটোৰ নাম
প্ৰেম
প্ৰেম শাশ্বত চিৰন্তন
মানৱজাতিৰ চিৰমংগলময় ভাষা,
মোৰ আশা, এদিন আকাশখন ক্ষত বিক্ষত কৰি
চলি থকা যুদ্ধৰ আখৰাৰ নাটকৰ সংলাপবোৰ,
জীৱন নাটৰ দিকভ্ৰান্ত নায়কৰ স্বাগতোক্তিবোৰ
প্ৰেমৰ জোনাকী ভাষালৈ,
অদৃশ্য ঈশ্বৰৰ দোহাই দি সৃষ্টি কৰা বিভিন্ন ধৰ্মৰ
বাণী চিৰন্তন পোহৰৰ অমৃতময়ী ভাষালৈ
অনুদিত হ'ব
মানুহৰ বুকুৰ পৰা বুকুলৈ সাৰপাই উঠিব
বিশ্বাসৰ অহা যোৱা সেতুঁ
সেইদিনা মুক্ত মানৱজাতিৰ প্ৰেমৰ সমদল সংগীতৰ তালে তালে বৈ যাব মানৱতাৰ
মহাসমুদ্ৰমুখী একতাৰ মহানদ
আকাশ চানি উৰিব দশোদিশে শান্তিৰ শুকুলা কপৌ
এই পৃথিৱী হ'ব চিৰন্তন প্ৰেমৰ ভাষাৰে গঢ়া
আলোকৰ অভিযাত্ৰী
মানৱজাতিৰ দিঠকৰ সৰগ ....



# সময় দুঃসময়

নুৰুল হুছেইন
যোৰহাট, অসম

বোমা বাৰুদৰ শ্বাসৰুদ্ধ গোন্ধ
বিয়পিল মোৰ স্বদেশী মুখ
আবেলিৰ বেলিয়ে হেৰুৱালে
আজন্ম তাৰ তপ্ত লয়লাস
জীপাল স্বপ্ন
বলাৎকাৰত ধূলি ধূসৰিত
ঠুনুকা কাঁচৰ টুকুৰা ছিন্ন
ঋতুবোৰৰ সেওঁতাত মসৃণ পথৰ
পদধ্বনিৰে নুফুলে মৌ-বৰষা
এখনি স্বৰ্ণগৰ্ভা অলকানন্দা
চৌপাশে মাথোন আতংকময় সময়
আৰ্তস্বৰত বোৰতী বিদীৰ্ণ
জনতাৰ নগ্ন ছবি প্ৰান্তে প্ৰান্তে
সম্প্ৰতি-
বোমা বাৰুদ
বোমাৰুৰ গুমগুমনিয়ে
একাকাৰ কৰিছে
পণবন্দী আমাৰ প্ৰাণৰ পলস।

# মই নাৰী হ'ব খোঁজো

অঞ্জলী ৰাভা
জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়।

নাৰীৰ জীৱনৰ সময়
বসন্তৰ ফুল আৰু শৰতৰ ফলৰ দৰে
মধুৰ মধুৰতম হোৱা বাবে
মই নাৰী হ'ব খোঁজো।
শৰীৰৰ উপত্যকাৰ মাজেৰে
বাগৰি অহা সৌন্দৰ্য্যত বিমোহিত
হয় এন্ধাৰ আৰু পোহৰ
সেয়ে মই নাৰী হ'ব খোঁজো।
দুচকুৰ নীলা আবেদনৰ
নিৰ্য্যাসত সৰি পৰা মৰম মাধুৰীত
আত্মবিভোৰ হোৱা উশাহবোৰৰ বাবে
মই নাৰী হ'ব খোঁজো।
সূৰ্য্য আৰু নদীৰ মুখামুখি অৱগাহনত
স্তব্ধ হোৱা পৃথিৱীৰ সময়
মুখৰিত হৈ উঠা বাবে
মই নাৰী হ'ব খোঁজো।
সূৰ্য্যাস্তৰ স'তে বিলীন হোৱা প্ৰকৃতিৰ
স্নেহবন্ধনত খহি পৰা আঁচলৰ
ভাজে ভাজে তাই সাগৰিকা হয় বাবে
মই নাৰী হ'ব খোঁজো।
বিচিত্ৰ পথৰ ভিন্নৰঙী ছবিৰ মাজত
আবদ্ধ হোৱা সময়ৰ
হাতে হাত ধৰি
নক্ষত্ৰ বুটলি লোৱা বাবে
মই আজন্ম নাৰী হ'ব খোঁজো।



# অতুলনীয়

নীলিমা শৰ্মা
যোৰহাট

বিষাদ গাঁথাতেই লুকাই আছে এখন ভৰপূৰ যমুনা
যমুনাৰ পাৰে পাৰে অগনন নৰ নাৰীৰ মিছিল
মিছিলত ডুব গৈ ভালপায়,
মানুহৰ অনন্ত সপোনে
অনন্ত সপোনত ডুবি থাকে প্ৰেমিকৰ উজ্জ্বল তৰংগ
তৰংগত উটি বুৰি ফুৰি
মৰম আকলুৱা ছবি আঁকে বিৰিখৰ পাতেৰে
পাতৰ বিষাদ গাঁথাত উটুৱাই দিয়ে চোন
যমুনা বালিৰ ৰূপালী বালিছন্দাক
বালিছন্দাত বুকুৰ উম বিচাৰি ফুৰে তিৰ্ বিৰ্ আকাশৰ অযুত
তৰাই
অযুত তৰাক বুকুত গুজি সোণপৰুৱাই সপোনক উচুপি সাৰটে
য'ত গতি থাকে সুঁতি নাথাকে
য'ত প্ৰেম থাকে সপোন নাথাকে
য'ত সপোন থাকে বাস্তৱ নাথাকে
শোকগাথা বালিছন্দা আৰু অযুত সপোনত
হেৰাই যায় মানুহৰ মৰম আৰু অতুলনীয় প্ৰেম



# প্ৰহেলিকা

দীপ্তি শৰ্মা
যোৰহাট

মোৰ পৰা তোমালৈ
তোমাৰ পৰা মোলৈ
এটা উশাহৰ বাট
মন থমকি ৰয় হৃদয়ৰ ছাঁত
হিয়াত বাজে প্ৰাপ্তিৰ সুৰ গুণগুণাই

জোনাকে জোনাক সিঁচি
সন্মুখৰ পথ উজ্জ্বলাই
মন উৰে সুন্দৰৰ সন্ধানত
সেন্দূৰীয়া পথেৰে অনাই বনাই
তথাপি হঠাতে মন থমকি ৰয়
সপোন হয়তো এনেকুৱাই
যি কাহনিও সঁচা নহয়
বাস্তৱ নহয়
মাথোঁ প্ৰহেলিকাময়
তথাপিও জীৱনে সপোন দেখে
প্ৰাপ্তিৰ বাবে ধাবিত হয়
অহৰ্নিশে অজানিতে ।

# ক'লৈ গতি...

ৰাজীৱ বৰঠাকুৰ
জামুগুৰি, শোণিতপুৰ

জীৱন দাপোন প্ৰতিবিম্ব নিজা ৰশ্মিহীন জোন
মায়াৰ চাকনৈয়াত ডুব যাওঁ যাঁও
বঠাহীন নাৱৰীয়া
নদীৰ কোবাল সোঁত ঢৌ খেলোতেই উত্তাল তৰংগত
ভাঁহি যোৱা ভেল
জীৱন বীণাৰ বীণ নৌ চিঙোঁতেই তাল হয় বে-তাল
নৃত্যৰ ভংগীমাই কৈ উঠা নাই সত্ৰীয়াৰ মূল মন্ত্ৰ
নুপুৰৰ জিন্ জিন্ ৰূপান্তৰিত প্ৰচণ্ড গাজনী
কোনোবা শিল্পীৰ বাট আশ্ৰয় মাথোঁ ফুটপাথ
চকুত ছাঁট মৰা নগ্ন ছবিয়ে জাঁপ খুৱাই চকুৰ পতা
বৃদ্ধৰ স্থান নাই...
নৱ প্ৰজন্মই পাহৰিলে সেয়া যে আছিল মোৰ ককা
বিশ্বায়নে কৰা সংকীৰ্ণ পৃথিৱীত কাৰোবাৰ নিৰ্দেশত
ঘূৰিছে এপাক
ৰাতিক দিন কৰা বৰ্বৰহঁতে আকাশ কৰিছে মেঘাচ্ছন্ন
বৃষ্টিহীন বিজুলীয়ে কাঢ়ি নিব যেন সূৰ্যৰ কিৰণ
স্বাক্ষৰতাৰ ভুল সমীক্ষা নিৰক্ষৰৰ দৰে হোৱা ডিগ্ৰী
ধনৰ তুলাচনীৰে জুখিব খোজা সীমাহীন উচ্চ শিক্ষা জাতি সত্বাক বিসৰ্জন দি
আনৰ ওচৰত ধৰুৱা
স্বদেশৰ মূল্যবান বিবেকক আনে কৰি লৈছে আল্লাউদ্দিনৰ বন্তি
ক'লৈ গতি স্ব-জ্ঞানহীন
বল্কল পৰিধান নহয়তো?
বৃক্ষৰ কৃত্ৰিম প্ৰতিযেধক মানৱক কৰিছে যান্ত্ৰিক
সৃষ্টিৰ জীৱৰ নিষ্প্ৰয়োজন নিৰ্মিত মস্তিষ্কৰ ৰবট
ৰিম'ট চুইছত ঢাপলি মেলিছে
কোনো সম্পৰ্কৰ চিনা-চিনি নাই
শংকৰ, মাধৱ, আজান ফকীৰ মহা মহা মনিষীৰ
অমূল্য বাণী এলান্ধু লাগিল ধোঁৱাচাঙত
কত সাধনাৰ অন্তত ওলোৱা সাঁচি পাতত লিখা
অমূল্য ৰত্ন বৰ্তমান যেন জৰাজীৰ্ণ
ভাৰতীয় সভ্যতাৰে আলোকিত হোৱা পশ্চিমীয়া সকলৰ চৰণত ধৰি কৰিছোঁ
প্ৰাৰ্থনা
আমাক সভ্যতা দিয়া
বিস্মৃতিৰ কড়াল গ্ৰাসত পৰি আকৌ জ্বলাম নেকি
শিলত শিল ঘঁহাই জুই।

# আঘোণৰ বতৰা

নিৰুপমা মেধি
নগাঁও

কাতিৰ কুৰঁলীয়ে মুকুতাৰ মনি গাঁঠি
সুকোমল দলিছাত সুগন্ধিৰ শয়ন কোঠাত
সোণোৱালী আঘোণে লখিমীক আদৰে
পাখিমেলা সূৰুযৰ ৰঙচুৱা আলিঙ্গন
আঘোণৰ পথাৰত কৃষকৰ  বুকুভৰা বৈভৱ
সোণোৱালী জেউতিত ছাতিধৰা সোণগুটি পখিলী
যৌৱনভৰা গাভৰুৰ হাতৰ মুঠিত হেঁপাহৰ কেঁচবছা কছুৰৎ
কঁকালৰ খোঁচনিত অমোঘ মন্ত্ৰৰ টঙালি
চহা ডেকাহঁতৰ দুবাহুত বিৰিয়াৰ উঠা-নমা ঢৌ
কোবা-কুবি খোজবোৰত ছেৰাছিগা বতৰা
শৰালিজাক জাকিমাৰি  আহে উৰি
আনন্দত ডেও দি-দি আহাৰ  বোটলে
থোকবোৰৰ ঝিৰিক-ঝিৰিক শব্দ বাজি উঠে
হৃদয়ত গীতৰ নিজৰাৰ ৰাগিনী
সকলোৰে চোতালত কেঁচাঘামৰ ডাঙৰি
মৰণাৰ ঘূৰণত আই-পিতাইৰ স্নেহসনা খোজ
ওখোনৰ মজিয়াত সোণগুটিৰ জোৰ
পুৱাৰ সূৰুযৰ সুকোমল কাঁচলিত
ন-ভাতৰ জোৱাৰ
আমেজৰ স্বাধীনতা
আইতাৰ পাগলগা তামোলৰ মুখভৰা সোৱাদ
বহু হেঁপাহৰ ‘ভোগালী’ক আদৰাৰ জাননী
নাতি-পুতিহঁতৰ উখল-মাখলত
ককা-আইতাৰ মুখত বিৰিঙিব
আনন্দত ৰেঙনি।

**নৱম ভাগ**

**সম্পাদনা**

চবিন চন্দ্ৰ নাথ



# এপাহ ৰঙা মদাৰ

বন্তি বৰা

ৰঙা মদাৰে আকাশ ৰাঙলী হ'ল
স্মৃতি হৈ শূন্যতে ওলমি ৰ'ল
আপেক্ষাৰে বসন্তলৈ
নোপোৱাৰ বেদনাত জ্বলিছে হৃদয়
আঁকোৱালি লৈছে মাথো যন্ত্ৰনা
কঢ়িয়াই ফুৰিছে এক নিৰৱ বেদনা ।
ব্যৰ্থ নহবা মদাৰ গোটেই আকাশ তোমাৰ
মুৰ তুলি চোৱা চৌদিশে
সৃষ্টিৰ কোহেঁ কোহেঁ উঠিছে উন্মনা
সেউজীয়া প্ৰকৃতিৰ প্ৰাণে প্ৰাণে ।
তুমি নহবা উদাস
তোমাৰ ৰঙতে জ্বলিব আকাশ।
কাঁইটৰ মাজতো নাচিব ফাগুনে
চঞ্চলা যৌৱনত উজ্জ্বলিব
মিঠা মিঠা সপোনৰ আভাস।
মদাৰ তোমাক নালাগে পূজাত
তথাপি তোমাক ফাগুনে নকৰে এলাগী
তুমিয়ে ফুলিবা ফাগুনত আকাশ ব্যাপি।।





## শান্তিৰ সন্ধানত

মিল'জা বসুমতাৰী

যেতিয়াই হতাশাই আগুৰি ধৰে,
মোৰ লগতে ভৱিষ্যত প্ৰজন্মৰ কি হ'ব!
সেই ভয়েই মোৰ টোপনি কাঢ়ি নিয়ে।
প্ৰায় মাজৰাতি সামান্য শব্দ এটাত সাৰ পাঁও।
ওৰে ৰাতি টোপনি অহালৈ ৰখি
শেষত পুখুৰী পাৰত ৰাজহাঁহ জনী শুই থকা
পুৰণি কাঠ টুকুৰা পাওঁ গৈ।
অচিনাকি পক্ষীৰ মাত শুনিব পাওঁ।
পোহনীয়া কুকুৰটোৱে মোক দেখি আনন্দত লৰ মাৰি কাষ
পায়হি,
সিহঁতৰ সংগই মোক শান্তি দিয়ে,
অনাবিল শান্তি...
মোৰ ধাৰণা হয়,
ভৱিষ্যত কি হ'ব সেই লৈ এওঁলোক মুঠেই চিন্তিত নহয়।
পুখুৰীৰ শান্ত পানীত নিজৰ ছবি দেখোঁ।
আকাশত জোনাক আৰু জিকমিকাই থকা তৰা।
মই স্বাধীন অনুভৱ কৰোঁ,
চাৰিওফালে থকা জীৱকুল আৰু পৰিৱেশ লগতে পৃথিৱী খন
নতুন দৃষ্টিৰে চাওঁ।

# নাৰী

নমিতা কলিতা নাথ
দৰং

হে নাৰী,
তুমি বাৰু সচাকৈয়ে অভিশপ্তা নেকি?
সৃষ্টিৰ পাতনিৰ পৰাই বন্দী তুমি,
ভিন্ন পুৰুষৰ দ্বাৰা পৰিচালিত হৈ
নাম পোৱা তুমি মহিয়সী
কিম্বা চলনাময়ী,
অনুশাসন ভংগ কৰিলেই
নাম দিয়ে তোমাক ডাংকাটি।
কিমান থাকিবা সহি
কিমাননো টুকিবা চকুপানী?
লাঞ্ছিত, বঞ্চিত অবহেলিত
অনাদৃত হৈ সকলোৰে,
ছটফট কৰি নিশা
লঘোণীয়া পেটে,
সুখী হোৱাৰ অভিনয়
কিমাননো কৰিবা ?
আনক সন্তোষ দিবলৈয়ে
কি জনম লভিছা তুমি ?
ভোগ্য সামগ্ৰীলৈ পৰ্যবসিত কৰি
কোনোবাই সুধিছেনে তোমাক
দেহ-মন সুস্থ আছেনে বুলি ?
জীৱনত কতনা ত্যাগ কৰিলা
তথাপি তুমিয়েই দেখো পোৱা অৱহেলা।
খোজে প্ৰতি ভুল, তোমাৰ নুবুজে যে মোল,
যন্ত্ৰবৎ কাম কৰি অচল হ'লেও
অনুভৱ নকৰে তোমাৰ ভাগৰ।
সমাজে কয়,
তুমি হেনো অৰ্ধ আকাশ,
পিছে বাস্তৱ জীৱনত
এই কথা ভাবিবলে
তুমি পাইছানে অৱকাশ ?

# প্ৰেমৰ অভিনয়

জুৰি শৰ্মা
নলবাৰী


প্ৰেমৰ অভিনয়
তোমাৰ প্ৰেমত মুগ্ধ হৈ
তোমাৰ প্ৰেমত পৰিছিলো।
কিন্তু মই তোমাক চিনি নেপালোঁ,
তোমাৰ লগতে ঘূৰি ফুৰি মনত কথা পাতি
আজি বহু বছৰ হ'ল
অতীতৰ কথাবোৰ তোমাৰ মনত পৰেনে?
তুমি প্ৰেমত পৰি বিবাহ কৰায়।
সেই প্ৰেম জানো মছি শেষ কৰি দিব পাৰিবা,
তুমি এবাৰ নিজকে মনটো সুধি চোৱা
প্ৰেমৰ নদী খন কিমান দূৰ আগবাঢ়িছা
হয়টো এদিন তুমি বুজি পাবা
তুমি বাটৰুৱা কুকুৰৰ মাংস লৈ গৈ থকা দেখি ভোল
গলা কিয় বাৰু!
মিছাতে লোভ গৈ নৈত পৰি গৈ ঘূৰি ফুৰি মৰি আছা।
তুমি এবাৰ নিজকে প্ৰশ্ন কৰি চোৱা,
মাংস টুকুৰাৰ লোভত কি কৰিব নোৱাৰি সকলো কৰিব
পাৰি।
নাই মই নিজে সযতন হোৱা উচিত
পুনৰ উভতি গৈ মৰমত আৱদ্ধ হৈ ৰৈ থাকিম।
মই যদি প্ৰকৃত পুৰুষ হওঁ
তাইৰ কাষলৈ পুনৰ উভতি যাম।
সঁচা প্ৰেমে কেতিয়াও অভিনয় নকৰে।
তাইক মই আঁকোৱালি লম
হোমৰ জুইত সাক্ষী কৰি বিয়া কৰাইছোঁ,
তাইয়ে মোৰ জীৱনৰ শেষ লগৰী
আৰু নিবিচাৰো আনৰ সঁহাৰি।



## অঘৰী মানৱ...

চৈয়দা ৰুনুৱাৰা বেগম
ৰাণী, কামৰূপ

কোনে জানে সিহঁতৰ ঘৰেই বা ক'ত
আছে জানো কোনোবা আত্মীয় কুটুম্ব ;
সিহঁতৰ বাৰু কেতিয়াও ঠাণ্ডা নালাগেনে
পাতল কাপোৰ এখনেৰে থাকিব পাৰেনে ?
কেনেকৈ খাব পাৰিছে বাৰু সিহঁতক এৰি
লাৰু-পিঠা চাহ মিঠাই,পনীৰ, মাছ মাংস,কণী ।
কেতিয়াবালৈও পৰে জানো সিহঁতলৈ মনত
ঠাণ্ডা, গৰম, ৰ'দ, বতাহ, বৰষুণ নেওচি;
নিঠৰ হৈ পদ পথৰ দাঁতিত পৰি থকা জনলৈ
ব্যস্ত জনজীৱনত নাই কাৰো আহৰি নাই চাবলৈ।



# আত্মজাহ

উমেশ চৌধুৰী
মহৰীপাৰা, গোৰেশ্বৰ

হে মোৰ চেনেহৰ
হে মোৰ মৰমৰ
অসমী আই
আজি তোৰ
বুকুত চলা বিক্ষোভে
মোৰ শান্ত বুকু
কৰে শোকাকুল।

মোৰ ৰঙীল স্বপ্নৰ
তুমৰলি তেজবোৰ
এতিয়া
সৰ সৰ কৰি
এটা সৰোবৰ বুকুত
আত্মজাহ গ'ল

# হেঁপাহৰ মোনাটো

অনিল ফুকন
সোণাৰি

হেঁপাহৰ মোনাটো লৈয়েই
আৰম্ভ কৰোঁ খোজবোৰ
ওখোৰা-মোখোৰা জীৱন বাটত,
প্ৰাপ্তিৰ আনন্দ বিচাৰি ফুৰোঁ
কেতিয়াবা আলিবাটত, কেতিয়াবা নদীৰ ঘাটত
কেতিয়াবা আকৌ কাৰোবাৰ কোমল মাতত
ব্যস্ততাৰ পৃথিৱী, যান্ত্রিকতাৰ কোলাহল
সংগ্রামী জীৱন যেন প্রত্যেকৰ লগৰী,
নাপাওঁ চোন বিচাৰি একো মনৰ হেঁপাহেৰে
সঙ্গী মাথোঁ হৈ পৰে অশ্রুবিহীন চকু
তথাপি, আশাবোৰে চুই যায় মন
কৈ যাব বিচাৰে চাগে মোক
“থমকি নৰবা তুমি, ইমান সহজে
নাপাবা বিচাৰি তোমাৰ হেঁপাহৰ ধন”
আজিৰ পৃথিৱীখন বৰ জটিল
পৰিবেশৰো অন্তহীন প্রদূষণ ঘটিল
সময়ত কাচিৎতহে আহে শুভ ক্ষণ।”
কবি মই, তেনেই নিচলা
নালাগে নিবিচাৰোঁ সম্পত্তি,
অথবা ধনৰ টোপোলা
শব্দৰ লগতে সান্নিধ্য মোৰ গভীৰ প্রেমৰ
কাব্যিকতাৰ সোণৰ সফুঁৰাবোৰ
মোৰ যেন অতি হেঁপাহৰ
দুখৰ পৰতো কোনে জানো কৈ যায়
নিজকে ভাঙি নেপেলাবা
অটল আত্মবিশ্বাসেই জীয়াই থকাৰ সমল।



## ফাগুনীৰ ৰং

দীপক কুমাৰ ৰাজবংশী
কেন্দুকুছি, নলবাৰী

আবিৰ সনা গধূলি
দূৰৈত শুঁনো সুকোমল সুহুৰি
ৰঙতে উতলা তাই
শীতৰ পোছাক খুলি
পছোৱাও আহিছে
এই বাটে বাটে
নতুন বতৰা লৈ
আকাশে বতাহে
মধুৰ সুবাস সিঁচি
পিন্ধাই থৈ যায় তাইক
জোনাক গলা নৱ আভৰণ

আবিৰ সনা গধূলি
বাজে নূপুৰৰ ধ্বনি
এয়া যে ফাগুনীৰ ৰং।

# ব'হাগ আহে

দিপালী শইকীয়া
লাহোৱাল, ডিব্ৰুগড়

শীতে গৰকি যোৱা
ফাগুনৰ উতলা পলাশ বনত
নানা ৰং বিৰঙৰ ফুলৰ বুটা বছা সাজ পিন্ধি
মধুময় বসন্তৰ সুমধুৰ পৰিক্ৰমাত ব'হাগ আহে।
যৌৱনোচ্ছল প্ৰকৃতিৰ বুকুলৈ
নৱ জীৱন যৌৱনৰ প্ৰাণচঞ্চল
নৈসৰ্গিক সজীৱতা আনে....।
সেউজ কোমল ন-কুঁহিত...
নতুন আশা লৈ অভিনৱ বসন্ত ঋতু আহে ।
ক্ষণে ক্ষণে গণি সময় প্ৰহৰ
বুকুত ব'হাগীৰ বসন্ত লহৰ...।
কুলি কেতেকিৰ অমীয়া সুৱদী গীতত
সৰ্বত্ৰ -সঞ্চাৰীত হয় সঞ্জীৱনী সুধা।
ঢোল পেপা বাঁহী গগণাৰ সুৰীয়া মাতত
ৰজন জনাই উঠে বৰ লুইতৰ দুয়োটি পাৰ
এয়া অসমীয়া কৃষ্টি সংস্কৃতি মানেৰে ওপচা
ব'হাগৰ আবদাৰ...।
ব'হাগৰ বা লাগি...
কপৌ কেতেকী ফুলৰ পাহেৰে
নাচনীৰ কলডিলীয়া উধনীয়া খোপা শুৱনি হয়।
জীপাল হয় জীৱনবোধৰ
হিৰন্ময় বুকুৰ গভীৰতাত প্ৰস্ফুটিত
প্ৰাণোচ্ছল যৌৱনৰ উতলা দেহা
কল্পনাৰ কাৰেঙত বহু ৰঙীন সপোনৰ ভঙা পতা
উজাগৰে ৰৈ প্ৰতিটো তৰাফুলীয়া নিশা।

# নাৰী...

স্বপ্নালী কাকতি
হেঙেৰাবাৰী

দয়াৰ সাগৰ তুমি,
অথচ
নিৰ্দয়তাৰ বলি হোৱা তুমিয়েই..
বিনম্ৰতাৰে সকলোকে
মোহিত কৰি,
সাবতি লোৱা সকলোকে...
অথচ
পোৱা মাথোঁ
দাসত্বৰ শিকলি...
ধাৰ্মিকতাবোৰ শিৰে শিৰে
বৈ আছে তোমাৰ,
অথচ
কামনাৰ বলি হোৱা তুমিয়েই...
মধুৰ বাণীৰে সন্মোহিত কৰা সকলোকে,
অথচ
চলাহি কথাতে ভোল গৈ
হেৰুৱাই পেলোৱা সৰ্বস্ব তুমিয়েই...
সাহসীকতাৰ সীমা নাই তোমাৰ,
অথচ
চকুলো বোৱাই শেতেলী
তিওৱা তুমিয়েই .....
নিজ সধনাৰে সবল হৈ
জগত জিনিব লাগিব তুমি...
নাৰী বিহীন পৃথিৱীত,
মানৱ প্ৰজাতিৰ
অস্তিত্ব বিহীনতাৰ কথা
উপলব্ধি কৰাব লাগিব তুমি!!



**দশম ভাগ**

**সম্পাদনা**

ব্ৰজেন কাকতি



# জীৱনৰ বাটত

ৰেজিনা পাৰবিন
বাইহাটা কমলপুৰ

জীৱন এখনি বোঁৱতী নৈ,
পিতৃৰ ঔৰষ, জন্ম দায়িনীৰ গৰ্ভ উৎস,
অবিৰত গতি জীৱন জলধাৰাৰ,
লক্ষ্য মোহনাৰ সমাধি।

জীৱনৰ বাটত সমাহাৰ অনেক,
কিছু যদি সমান্তৰাল, কিছু বক্ৰ,
কিছু হয় অশ্বখুৰাকৃতিৰ।
ক'ৰবাত অতি গভীৰ, ক'ৰবাত বাম,
ক'ৰবাত যেনিবা নিভাজ-মসৃণ,
অচিনাকি, অবোধ, ধূসৰ জীৱন পথ।


তথাপিও বোৱঁতী সোঁত
আছে বৈ জীৱনৰ বাটত,
নিয়ম মানি চিৰ সুন্দৰৰ,
প্ৰতিপল, প্ৰতিদিন সমাধি মোহনালৈ।

জীৱনৰ বাটত কত লগৰী,
সুখ-দুখ, আশা-নিৰাশা,
হাঁহি-কান্দোনৰ সমাবেশ অপাৰ,
কৰিছে যাত্ৰা মাথোঁ অবিৰত,
সমাধিখ্যাত মোহনালৈ।
জীৱনে নাজানে মোহনালৈ কিমান দূৰ... !
যিদিনা জীৱনৰ নিশ্বাসে বিশ্ৰাম ল'ব,
জীৱন বাটৰ সীমা সিদিনা চমু চাপি আহিব আৰু
জীৱনটো শেষত গৈ সমাধিত মিলিত হ'ব।

# পূৰ্ণিমাৰ সখা মোৰ

কৌশিক কুমাৰ শৰ্মা
ৰঙিয়া

যমুনাৰ পাৰতে
কদমৰ ডালতে
কি সুৰে মুৰুলি বজালা ?
অ' মোৰ ৰাধেমোহন !
কম্পিত হৃদয়ৰ
দুঃখ হৰিলা
মৰমৰ পঞ্চসুৰকে ধৰি।
নিষ্ঠুৰ জগতত
প্ৰেম বিলালা
অ' মোৰ বংশীগোপাল !
তুমি গোপিনীৰ কানাই,
মোৰো জীৱনত
পূৰ্ণিমা আনিবা
মোৰ স'তে থাকিবা সদায় !
মনৰ হাঁহিবোৰ
মুখলৈ আনিবা
অ' মোৰ যশোদাতনয় !
তুমিটো দৈৱকীৰো নন্দন,
কৰযোৰে কৰোঁ
তোমাৰেই বন্দন
সজালা পৰাণক জাতিষ্কাৰ
পূৰ্ণিমাৰ সখা মোৰ,
তমসাতো বিচাৰিম তোমাকেই
এন্ধাৰবোৰ নাশি
লৈ যাবা সুদীপ্ত সিপাৰ !



# জ্যামিতি

ৰূপাঞ্জলী ডেকা
২নং মঠঘৰীয়া, নুনমাটি

মোক নোকোৱাকৈ তুমি দুৱাৰমুখত আহি ৰ'লা আৰু
আলাপ অবিহনেই আকৌ গুছিও গ'লা।
মনৰ কোঠালীত আছিল মোৰ বিজুলীৰ পোহৰ...
আৰু সেই পোহৰতেই দেখিছিলোঁ তোমাক...।
তুমি অলৰ, অচৰ আৰু মৌন
তোমাৰ দুই অধৰ স্পন্দনহীন...।
আলাপ অবিহনেই সিদিনা আঙুলিৰ মূৰত মাথোঁ সংখ্যা
গণিছিলা...।
এটা এটা সংখ্যা মোলৈ দলিয়াই দিছিলা।
সংখ্যাবোৰে সৃষ্টি কৰিছিল একো একোটা জটিল
অংক।
য'ত নাছিল কোনো যোগ, বিয়োগ, হৰণ অথবা পূৰণ।
কিন্তু সকলো একাষৰীয়া কৰি থৈ
বৃহৎ অংক এটাৰ স'তে
মই আলাপ কৰিছিলোঁ,
সংলাপ এটা দিবলৈ চেষ্টা কৰিছিলোঁ।
অংকটোৱে তেতিয়া কৈছিল-
"সংলাপ নিদিবা, মৌনতাৰে মাথোঁ আলাপ কৰা"!
কিন্তু সংলাপ এটা মোক লাগিবই,
সংলাপ অবিহনে মই এটা মাথোঁ বিস্মৃতি।
কাৰণ জ্যামিতি মই বুজি নাপাওঁ...!

# তোমাৰ উদাৰতাৰ প্ৰেমিক

ড° কাশ্মিৰী গগৈ বৰুৱা
বাঘৰবড়ী, গুৱাহাটী

কি ৰঙেৰে ভৰি থাকে
আকাশৰ বুকু
শুকুলা নে কজলা ?
নে শূন্যতাৰ নিমজ আৱৰণেৰে সলাই লয়
নীলিম বুকু
উদাৰতাৰ ভাষা বুজি পোৱা
মই যে হিৰণ্ময়ী গধূলি,
তোমাৰ স'তে মোৰ
চৰ্তহীন প্ৰেম
তুমি আছা বাবেই আছোঁ মই আজীৱন
জোনাকত দ্বীপ্তমানহৈ জিলিকো ।
বাৰিষাৰ প্লাৱনত সাঁতোৰো অবিৰাম
ফাগুনী পচোৱাৰ স'তে উৰো
উদাৰতাত তোমাৰ
নিঃচৰ্ত প্ৰেম মোৰ আজীৱন,
যেন সিৰাই সিৰাই গুণগুণাই থকা এটি সুৰীয়া গান।

# মোক এটি বাংকাৰ লাগে

পংকজ শৰ্মা
দমদমা সাহিত্য সভা

নিজৰ দেহৰ ভিতৰতে
অংগই অংগই লগা যুঁজ খনত
মই বৰ শংকিত হৈ পৰিছো
মোক এটি বাংকাৰ লাগে ।
দুই কাণক ইঙ্গিতহীন কৰি
দুই চকুৰ শেল নিক্ষেপ,
তেজ কেইটুপিয়েও মখাই মখাই জুম পাতি
চাৰিকোঠাত বল পূৰ্বক
প্ৰবেশৰ প্ৰয়াস...
এটুপি শোধিত তেজ বিচাৰি
মাজে মধ্যে হৃৎপিণ্ডৰ উচুপনি
কণাৰ সৈতে কণাৰ দবৰা দবৰি
লোহিতৰ সৈতে শ্বেতৰ
অনুচক্ৰিকাইও পিছ নেৰিলে
হাত ভৰি কেইখনো
ইঙ্গিত হীনতাত জব্দ হৈ ৰৈছে
দুই অণুৰ অশ্লীল সাৰতা সাৰটিত
দুষিত নিষেচন
ভূমিষ্ঠ হ'ল কিম্ভূত কিমাকাৰ চিন্তাকীট
মন মগজুৰ বিচাৰ মানি
দেহৰ স্বনিৰ্বাসন ঘটিল।
ওহো!
ক্ষণিকতে হাত-ভৰি কেইখনলৈ
সম্বিৎ ঘূৰি আহিল
এয়া যেন সুৰিধাবাদ
বিচাৰৰ পাক ঘূৰিল
দেহৰ দাবী উঠিল
এটি বাংকাৰ লাগে
বাংকাৰ লাগে।।

# দেৱাল

অৰুণ কুমাৰ শৰ্মা

চৌদিশে যন্ত্ৰণা-কাতৰ চেপা নিস্তব্ধতা
ইটাৰ দেৱালবোৰ লাহে লাহে
থিয় হয়
এখনৰ পাছত এখন
তোমাৰ মোৰ মাজত
মোৰ তোমাৰ মাজত।

ক্ৰমে ক্ৰমে আমি নেদেখা হওঁ
ইজনে সিজনক
সিজনে ইজনক
আমি কোনোৱে কাৰো খবৰ নেপাওঁ
খবৰ ৰাখিব নোৱাৰোঁ
জীৱিত নে মৃত নে অৰ্ধমৃত।
কেঁচুৱাটোৱে ভোক আৰু পিয়াহত কান্দিছে
কাৰণ মাকজনী দেৱালৰ সিটোপাৰে আছে,
সি নাজানে
আকাশ জুৰি
গেৰুৱা পতাকাৰ পয়োভৰ।

# আবিৰৰ ৰং

ঊষা বৰপূজাৰী
জাঁজী জামুগুৰি, শিৱসাগৰ

আজি
আবিৰৰ ৰঙেৰে
নিজকেই
চিনিব নোৱাৰা হৈ পৰিলো !
সঁচাকৈয়ে
বৰ্ণাঢ্য আবিৰে
ধনী, দুখীয়া
উচ্চ-নীচ,
সকলোৰে জীৱনলৈ নমাই আনিলে
আনন্দৰ নিজৰা।
বসন্তৰ ৰং,
সৃষ্টিৰ ৰং
সকলোকে একাকাৰ কৰি
আবিৰ  সানিলে... !
ফাগুনৰ অনুভৱৰ বন্যাত
সংগোপনে যেন
বৈ আহিল জীৱনলৈ,
অফুৰন্ত প্ৰেমৰ নিজৰা
অনুৰাগসনা প্ৰতিশ্ৰুতি।
এবুকু সেউজীয়া সপোন লৈ
পৰিস্ফুৰ্ট হ'ল যেন
উল্লাসৰ এক উদ্দীপনাময়
ৰঙৰ উৎসৱ,
যৌৱনৰ উৎসৱ
বসন্তোৎসৱ...।।

# মই মুখা পিন্ধা ভদ্ৰ

পৰিস্মৃতা হাজৰিকা

শেষ হোৱা আবেলিৰ অৱসাদত
যাত্ৰা আৰম্ভ হয় মোৰ
উজাগৰী নিশাৰ..।
আন্ধাৰ বোৰে ঠিক ভুমুকিয়াই মাথো
সেই ক্ষণতে,
হৃদয় বেলকনি চলাথ কৰে ।
মোৰ বস্তু বাদী সমাজৰ
বস্তু বাদী মনটোৱে
কাক ঠগি কাৰ খাও,
আনৰ কাঢ়ি নিজৰ কৰো
আগবাঢ়ে এইদৰে
অন্যায়ৰ পথ বিচাৰি..।
মোৰ প্ৰতিটো উজাগৰী নিশাই
মোক প্ৰস্তুত কৰি তোলে,
দিনৰ পোহৰত মুখা পিন্ধি
অভিনয় কৰিবলৈ
এজন স্পষ্টবাদী অভদ্ৰহে!
প্ৰতিটো উজাগৰী নিশাত
আনক শোষণ কৰি,
প্ৰতিটো দিনৰ পোহৰত
আনকি আনক সহায় কৰা
মই এজন ৰাজনীতিৰ
পাকৈত খেলুৱৈ।
হয় মই প্ৰতিটো উজাগৰী নিশাত
হৃদয় বেলকনি চলাথ কৰো,
অন্যায়ৰ পথেৰে যাত্ৰা কৰো..।
কিয়নো মই এজন
বস্তু বাদী সমাজৰ
মুখা পিন্ধা ভদ্ৰ,
হয় মই এজন মুখা পিন্ধা ভদ্ৰ।

# জীৱনৰ বাটত

মনোৰঞ্জন ডেকা
কামৰূপ হাজো

মাতাল পৃথিৱীত খোজ দিয়াৰ আগতেই
আই পিতাই বুকুৰ চুবুৰীত সাজিছিল
মোৰ জীৱনৰ সোণালী বাট।
প্ৰভাতী পোহৰৰ কাঁচলিত
আইৰ মৰমৰ আঁচলত ধৰি
জীৱনৰ বাটত প্ৰথম খোজ দিছিলোঁ।
পিতাইৰ বাসনাৰ আঙুলিত ধৰি
জ্ঞানৰ পাঠশালাত পঢ়িছিলো
জীৱন বাটৰ আদি পাঠ।
অদৃশ্য কাঁইটে আৱৰা জীৱন বাটত
বিধি নিৰূপিত মোৰ খোজ,
দুটি উজ্জ্বল তৰাফুলৰ পোহৰত
কৰ্মৰ পৃথিৱীৰ সংগ্ৰামী ভাৰখন
মোৰ জীৱন বাটৰ লগৰী।
সমাজৰ নৈৰ বিষয়ী ঘাটত
সুখ দুখৰ জল পান কৰি
জিৰণি লওঁ হাঁহি কান্দোনৰ গৃহত।
ভাটিয়ালী সময়ৰ বাৰ্ধক্য বেলাত
প্ৰাপ্তি অপ্ৰাপ্তিৰ ক্লান্ত ভাৰখন সামৰিলে
যতি পৰিব জীৱন বাটৰ খোজ।।



# এক সেউজীয়া অনুভৱ

শিখাঞ্জলী ডেকা বৰ্মন
দেৰকোটা নগৰ, গুৱাহাটী

তোমাৰ নামেৰে কঢ়িয়াই ফুৰিছোঁ
এক সেউজীয়া অনুভৱ,
নাম ব'হাগ।
কিমানযে নিবিড়ভাৱে কাষচাপি আহে
ব'হাগৰ মধুৰ জোনাক।
মনৰ ধুনীয়া আকাশত উদিত হয়
সৌৰা উজ্জ্বল প্ৰিয়তম সূৰ্য।
কিযে বিস্ময়িক ব'হাগৰ এজাক
সুখময় ৰ'দ।
হয়তো আলসুৱা সুখে আমনি কৰা
এই ব'হাগ
ব'হাগ প্ৰতিশ্ৰুতিময়!
ব'হাগ স্বপ্নময়!!

**সংস্কাৰধ্বনি ফাউণ্ডেচন কাৰ্যবাহী সমিতি**

**প্ৰতিষ্ঠাপক/সভাপতি**
হিতেশ গোস্বামী

**সাধাৰণ সম্পাদক**
গুনীন ফুকন

**উপ-সভাপতি**
চুমি শৰ্মা গোস্বামী

**মুখ্য উপদেষ্টা**
ড° নগেন্দ্ৰনাথ শৰ্মা

**উপদেষ্টা মণ্ডলী**
সুকীৰ্ত্তি দাস
কিৰণ কুমাৰ গগৈ
ড° জগদীশ পাটগিৰি
ড° জয়ন্তীমালা চক্ৰৱৰ্তী

## কাৰ্যবাহী সদস্য

লিলি শৰ্মা
গায়ত্ৰী কৌশিক
ভনিতা গোস্বামী
জয়দেৱ মালাকাৰ
শ্যামন্ত দেৱ বৰুৱা

'সহস্র কবিৰ সহস্র কবিতা' এই গ্রন্থখনি আমাৰ এক বিনম্র প্রয়াস।

অজানিতে আৰু অজ্ঞনতাৰ বাবে হ'ব পৰা ভুল-ভ্রান্তিৰ বাবে আমি সকলোৰে ওচৰত বিনম্রতাৰে ক্ষমা বিচাৰিছোঁ।

আপোনালোকৰ দৃষ্টিত নিবদ্ধ হোৱা যিকোনো ভুল যেনে— কবিতাৰ মানদণ্ড, শব্দ, ব্যাকৰণ, ভাষা, বাক্যৰ গাঁথনি ইত্যাদি আমাক অৱগত কৰিলে আমি কৃতাৰ্থ হ'ম আৰু অসমীয়া ভাষা-সাহিত্যৰ পাঠকসকলো উপকৃত হ'ব।

আমাৰ বিনম্র প্রয়াস অসমীয়া ভাষাক উপযুক্তভাৱে ব্যৱহাৰ কৰি নতুন প্রজন্মক মাতৃভাষাৰ সোৱাদ দিয়া।

বৰ্তমানৰ ডিজিটেল সংস্ক ৰণসমূহ একত্রিত কৰি এক হাজাৰ কবিৰ এক হাজাৰ কবিতা সন্নিৱিষ্ট কৰি এই গ্রন্থখনি ছপা আকাৰে প্রকাশ কৰাৰ পৰিকল্পনা লৈ আমি সংস্কাৰধ্বনি ফাউণ্ডেচন আগবাঢ়িছোঁ। আপোলোকৰ সহযোগ আৰু পৰামৰ্শই আমাক কৃতজ্ঞ কৰিব।

**—সংস্কাৰধ্বনি ফাউণ্ডেচন**

**সংস্কাৰধ্বনি ফাউণ্ডেচন**
ৰূপালীম পথ, সাউকুছি, গুৱাহাটী-৪০
ফোন ঃ ৯৯৫৭৮-৮৪৪০০, ৯৬৭৮০-৭০৭৭৬
**Regn No.** RS/KAM(M)/263/U/152 OF 2019-2020
**Website :** www.sanskardhwani.org, **E-mail**-sanskardhwani@gmail.com